থকা চাকিটো নুমাই দিলে। সেই সৰু জুপুৰিটোৰ অন্ধকাৰত দুটি দেহ, দুটি প্ৰাণ, লগ লাগি এক হৈছিল। শেষ মুহূৰ্ত্তত দুয়োৰে যেতিয়া চেতনা আহিল অনুশোচনাত উচুপিবলৈ ধৰিলে। তেতিয়া আৰু অনুশোচনা কৰিবলৈ একো নাছিল। ভুল ভুলেই।

নিজৰ আৰু দেৱনাথৰ ভৱিষ্যতৰ কথা ভাবি অনুপমাই কান্দি কান্দি তাৰ বুকুৰ বনিয়নটোত ধৰি কব ধৰিলে—'তুমি এই মন্দিৰ এৰি গুচি যোৱা দেৱনাথ। এই মন্দিৰৰ মানুহবোৰে তোমাৰ দুখন নিৰপৰাধী হাতেৰে বহু জীৱ-জন্তু বধ কৰি ইয়াৰ বতাহ কুলুষিত কৰিছে। ইয়াত থাকিলে তুমি নাশ হৈ যাবা।'

থিকেই, অনুপমাই থিকেই কৈছিল। ইয়াত ইমান বোৰ জীৱ-জন্তু নিৰৰ্থক বলি দিয়াটো কাৰো সহ্য নহয়। তেনেহলে সি দাৱাল হবলৈ অস্বীকাৰ কৰিব নেকি? জীৱ-জন্তুবোৰ কাটৰাত বহুৱাই দি বলি দিয়াটো তাৰ দ্বাৰা নহব বুলি কৈ দিব নেকি? কিন্তু সি এই মন্দিৰ এৰি যাব কলৈ? ক'ত তাৰ নিৰপত্তা? নোৱাৰে, এই মন্দিৰ, অনুপমা, গুৰুদেৱ, পূজাৰী, পুৰোহিত কাকো সি এৰিব নোৱাৰে।

'প্ৰভু! গুৰুদেৱে আপোনাক বিচাৰিছে।' দেৱীৰামৰ মাতত সি ঘুৰি চালে।

'মোক?'

'হয়, এতিয়াই'

'গৈছো যা।'

গুৰুৰ আহ্বান উপেক্ষা কৰাৰ সাহস কাৰো নাই। দেৱীৰাম গ'লত সি উঠি গৈ তাৰ ৰঙা গামোছা লৈ ওলাই গ'ল।

দৰ্শনকাৰী, তীৰ্থ যাত্ৰী সকল পূজাৰ নিৰ্ম্মালী লৈ পঠা বলিৰ বাবে ৰৈ আছিল। পঠা দুটাও কেতিয়াবাই ধুৱাই আনি সাজু কৰি ৰখা হৈছিল। দাৱাল তেতিয়াও আহি নোপোৱাত উৎকণ্ঠাৰে সবে উপেক্ষা কৰি আছিল। ৰান্ধনী কেইটাও আহি পূজাৰ ভোগ সিজোৱাত ব্যস্ত হৈ পৰিছিল। এনেতে ৰঙা বস্ত্ৰ পৰিধান কৰি দাৱাল আহি পালত সকলোৱে সেইফালে চালে। কিন্তু কাট্ৰা যোৱৰ ফালে কেৰাহিকৈও নাচাই দাৱাল চিধাই মন্দিৰলৈ সোমাই যোৱাত আটাইবোৰৰে মুখ ক'লা পৰি গ'ল।

'গুৰুদেৱ।' অন্ধকাৰ গুহাত প্ৰতিধ্বনি হ'ল 'গুৰুদেৱ।' দেৱনাথৰ মাতত গুৰুদেৱ আহি তাৰ ওচৰত থিয় হৈ কলে—'বাচা ইমান ভাগি পৰিছা কিয়? আইৰ পূজাত অত বেলি? আই ভগৱতীয়ে তোমাক আশীৰ্ব্বাদ কৰিছে বাচা। সুখী হবা। আজীৱন আইৰ সেৱা কৰি যোৱা।'

গুৰুৰ কথাত তাৰ পুৰণি অন্ধ বিশ্বাস পুনৰ মুৰ দাঙি উঠিল। নাই, সি বলি কৰিব। সি যেতিয়া দাৱাল, জীৱ-জন্তু বলি দি আইৰ সেৱা কৰিবই। অনুপমা, ঘৰ-সংসাৰ এই সবে তাক একো কৰিব নোৱাৰে।

'যোৱা বাচা, মৈদা লৈ যোৱা; তীৰ্থযাত্ৰীসকলক সহায় কৰাগৈ।'

সি ওলাই আহিল।

ভদ্ৰ ঘৰৰ এটা পৰিয়াল, দুজন ভদ্ৰলোক আৰু কেইজনমান পূজাৰীৰ এটা দলে মন্দিৰৰ সমুখৰ কাট্ৰা যোৱা আগুৰি বহি পৰিছে। এমুৰে খুটি এটাত বন্ধা আছে এহাল নিৰপৰাধ, নিৰ্জ্জ পঠা ছাগলী। আটাই-বোৰে গহীন ভাবে নীৰৱ পৰিস্থিতি এটাৰ সৃষ্টি কৰি ৰৈ আছে দাৱালৰ আগমণৰ বাবে। মাজে মাজে সেই নীৰৱ পৰিস্থিতি ভাঙি দিয়ে ছাগলী দুটাৰ বেবনীয়ে।

এনেতে দাৱাল আহিল। সি যেন সুন্দৰ সু-চৰিত্ৰবান দেৱনাথ নহয়, হাতত সেন্দুৰৰ প্ৰলেপ দিয়া বৃহৎ মৈদাখন লৈ, গাত ৰঙা বস্ত্ৰেৰে সি ভীষণ মূৰ্ত্তি-ধাৰী দাৱাল মাত্ৰ। সি আহি কাট্ৰাৰৰ এমূৰে থিয় হ'ল।

ছাগলী দুটাৰ গলধনত হালধীৰ ৰস চতিয়াই দিয়া হ'ল। দুয়োটাকে টানি আনোতে চিঞৰি উঠিল—'বে-বে।' সিহঁতৰ বেবনীয়ে তাৰ মনত খেলি-মেলি লগাই দিলে। চকু দুটা মুদি দেৱনাথ ক্ষন্তেক নীৰৱ হ'ল। মৈদাখন লোৱা হাতৰ মুঠিতো তাৰ ঢিলা হৈ পৰিল। তাৰ কানত বাজিব ধৰিলে এবাৰ

কথা—'তুমি এই মন্দিৰ এৰি গুছি যোৱা দেৱনাথ। এই মন্দিৰৰ মানুহবোৰে তোমাৰ দুখন নিৰপৰাধী হাতেৰে বহুত জীৱ-জন্তু বধ কৰি ইয়াৰ বতাহ কলুষিত কৰিছে। ইয়াত থাকিলে তুমি নাশ হৈ যাবা।'

ছাগলী এটা কাট্‌ৰাত বহুৱাই দিয়া হ'ল। সি যেন স্বইচ্ছাৰে আই ভগৱতীৰ বাবে নিজৰ গল পাতি দিছে। তাৰ চকুত কেৱল লোতক।

দেৱনাথৰ কঠিন হৃদয় প্ৰথমবাৰৰ বাবে এটা ছাগলীৰ চকুপানীয়ে গলালে। তাৰ চকুৰেদি দুধাৰি লোতক বাগৰি আহিল। ওপৰলৈ মৈদাখন দাঙি সি চকু দুটা মুদি দিলে।

'তেনেহলে সি মন্দিৰৰ বলিবোৰ নিজহাতে কৰিবলৈ অস্বীকাৰ কৰিব নেকি? অনুপমাই ঠিক কথাই কৈছে। এই মন্দিৰৰ বতাহ দূষিত।'

তাৰ অৱস্থা দেখি এজন পুজাৰীয়ে গৰ্জ্জি উঠিলত—'প্ৰভু!' বুলি কৈ সি চকুদুটা মেলি দিলে।

'নহয় নহয়। সি দাৱাল। আজি বহুবছৰ ধৰি সি এই কামে কৰি আহিছে। কৰি থাকিবও। অনুপমা তাৰ মনৰ মানুহজনী হয়। কিন্তু তাই মানৱী। সি কৰে দেৱীৰ সেৱা। দেৱীক সি তুষ্ট কৰিবই লাগিব।'

ওপৰলৈ তুলি ধৰা মৈদাখন সি বহাই দিলে। নিমিষতে পঠাটোৰ দেহ দুটুকুৰা হ'ল। সেই পবিত্ৰ মন্দিৰৰ আগচোতালখন এক মুহূৰ্ত্তৰ ভিতৰত এটা শান্ত ছাগলীৰ তপত তেজেৰে ৰাঙলী হৈ গ'ল।

দুজন বেপাৰীয়ে পঠাটোৰ দেহটো আতৰাই নিলত আন এটা পঠা কাট্‌ৰাত বহাই দিয়া হ'ল। পুনৰ মৈদাখন ওপৰলৈ দাঙিলত সকলোৱে আই ভগৱতীৰ জয়ধ্বনি দিলে।

●●●



# আধৰুৱা নহয়

## শ্ৰীযোগেশ বৰুৱা
তৃতীয় বাৰ্ষিক বিজ্ঞান

"লোৰা নবেন; এই ফটো দুখনেই হব তোমাৰ গল্পৰ 'প্লট'। আশা কৰো এই দুয়োখন ফটোৰ সমন্বয় ৰক্ষা কৰি তুমি এটা সুন্দৰ গল্প লিখি উলিয়াই কলেজ আলোচনীত প্ৰকাশ কৰিবা।" এই বুলি কণকদাই দুখন ফ'টো মোৰ পঢ়া মেজৰ ওপৰত থৈ গমগমাই গুচি গৈছিল। ফ'টো দুখন আছিল বাতৰি কাকতৰ পৰা কটা,—দুজন যুবকৰ। এখনৰ তলত লিখা আছিল সেই ডেকাজনে ঘৰৰ পৰা ডেৰহাজাৰ টকা লৈ নিৰুদ্দেশ হৈছে বুলি। মাক বাপেকে হেনো তাৰ সন্ধান পোৱা নাই। আনখনত আছিল, যুৱকজনে যোৱা পাক – ভাৰত যুদ্ধত সীমান্ত প্ৰহৰী ৰূপে বেছ নাম কৰিছে। তেওঁ হেনো অসমৰ গাওঁলীয়া অঞ্চলৰ ল'ৰা। এই খবৰ দুটা ডেৰমাহ আগৰ। কোৱা বাহুল্য কণকদাই এইদৰে মোক গল্পৰ 'প্লট' যোগাই থাকে। তেওঁ মোৰ বন্ধু যোগেনৰ ককায়েক, গতিকে মোৰো ককাইদেউ। মই মাতো কণকদা বুলি। গুৱাহাটীৰ এটা অফিচত কেৰাণী কাম কৰে তেওঁ।

পাৰ হৈ যোৱা ডেৰমাহৰ ভিতৰত আমাৰ কলেজ আলোচনী প্ৰকাশ হ'ল। মোৰ গল্পই সকলোকে চমক লগালে। তাৰ বাবে মই কিন্তু কণকদাৰ ওচৰত ঋণী। আজি তেওঁক মোৰ পঢ়া কোঠাত বহুৱাই লৈ তেওঁৰ আগত গল্পটি পাঠ কৰাৰ আনন্দকণ পাবৰ আশা কৰি আলোচনীখনৰ পাত লুটিয়ালো। কণকদাই একান্ত মনে শুনি গল, মই পঢ়ি গলোঁ—

### —ঃ যাত্ৰা পথত ঃ—

নলবাৰী ৰেলষ্টেচন। উজনিমুৱা ৰেলখনে তাত ক্ষন্তেক বৈ এটি দীঘল উকি মাৰি আকৌ চলিবলৈ ধৰিলে। পাচ নং ডবাটোৰ ভিতৰত একমাত্ৰ এজন আদহীয়া লোক উঠি ইফালে সিফালে চাইছে। চকুত পৰিল জীৰ্ণা শীৰ্ণা দেহেৰে এগৰাকী মহিলা আৰু এজন ওঠৰ-উনৈশ বছৰীয়া লৰা। তিৰোতা গৰাকীয়ে বাহিৰৰ ফালে চাই আছে, কিবা যেন চিন্তাত মগন। চকুত তেওঁৰ চচ্‌মা। লৰাটি শুই আছে বেঞ্চখনতে, কাযত এটা চুট্‌কেচ আৰু এটা টোপোলা। নিস্তব্ধ পৰিবেশ।

এবাৰ মহিলা গৰাকীয়ে চকু ঘুৰালে মানুহজনৰ ফালে। সাধাৰণ সাজপোচাক, মুখত তেওঁৰ বিবিডি উঠিছে বেদনাসিক্ত মনোভাব। মহিলাৰ চকু খন্তেকলৈ থৰ লাগিল। হঠাতে প্ৰশ্ন কৰি উঠিল "আপোনাক চিনাকি যেন লাগিছে ?" ই আকৌ কেনে প্ৰশ্ন ?

মানুহৰ চিনাকি অচিনাকিটো আছেই। আদহীয়া লোক জনে ফুটাই কৈ উঠে—"হয় চিনিবও পাৰে।"

"আপুনি জানো ৰতন নহয় ?"

আচৰিত হল মানুহজন।

"হয় মোৰ নামেই ৰতন। কিন্তু আপোনাকতো ...।"

"মই বীণা। মোক আপুনি সুবুলি তুমিয়েই বোলক।"

"বীণা ???" তেওঁৰ সৌ সিদিনাৰ খেলৰ লগৰী লচপচী বীণা। আজি এই অৱস্থা। কোনো বৃদ্ধা বুলিয়েই ভাবিছিল ৰতনে তেওঁক। চকুৰ আগত ভাহি উঠিল অতীতৰ সেইবোৰ স্মৃতি। ভাহি উঠিল এখনি ভয় বিহ্বলা মুখ—"তোক নাপালে মই ··· ····। মদনৰ লগত মই বিয়াত নবহো।" কাণত বাজি উঠিল—"সাৱধান থাকিবি ৰতন, আৰু কেতিয়াবা মোৰ ছোৱালীৰ লগত কথা পতা দেখিলে···· ····। তয়ো সাৱধান বীনা, এই ভিকহুৰ লগ ললে··· ···।" বীণাৰ পিতাক অনন্ত বৰুৱাই ৰুদ্ৰমুৰ্ত্তি ধৰি পুখুৰী পাৰত কোৱা কথা কেইটা।

"কি ভাবিছে ৰতন দা ?" নিস্তব্ধতা ভাঙি কৈ উঠিল বীনাই।

"সেই দিনবোৰৰ কথাকে, বীণা।"

"ভুল মোৰেই ৰতন দা যে, মই····পিতাৰ বিৰুদ্ধে সাহসেৰে ঠিয় দিব নোৱাৰিলো। কিন্তু আপুনি এজন পুৰুষ হৈ···· ····।"

"ধনৰ লগত যুঁজিবলৈ মোৰ সাহস নাছিল বীণা।" ৰেলখন বৈ গ'ল ৰঙিয়া জংচনত।

ক্ষন্তেক মৌন হৈ থাকি ৰতনেই প্ৰশ্ন কৰিলে--"কিন্তু তোমাৰ এই অৱস্থা কিয় ?"

গুৰু গম্ভিৰ হৈ উত্তৰ দিলে বীণাই—"জীৱন সংগ্ৰামত সকলোকে হেৰুৱাই মোৰ আজি এই অৱস্থা। দুশ্চিন্তাই মোক তিল তিলকৈ খাই আহিছিল। ডাক্তৰৰ নিৰ্দ্দেশত দাৰ্জ্জিলিঙলৈ গৈছিলো হেৰোৱা স্বাস্থ্য লাভৰ বাবে, কিন্তু হেৰোৱা ভাগ্য লাভৰ আশাত নহয়। লগত নিছিলো এই ভাগিনজনক। আজি এই দুমাহৰ মূৰত ঘূৰিছো। হঠাতে আপোনাক লগ পোৱাত মোৰ সোনোৱালী অতীতলৈ মনত পৰি মন পুলকিত হৈ উঠিছে। নীৰস ৰেল যাত্ৰাত এনে লগৰীয়া খুব কমেই পোৱা যায়।"

"তোমাৰ যে কপালৰ সেন্দুৰ নাই ?" হঠাৎ অকণো সংকোচ নকৰাকৈ কৈ পেলালে ৰতনে।

"আপুনি জানো শুনিব ? ময়ো যে তেনে এজন লোককে বিচাৰিছো যিজনে বুজিব মোৰ মনৰ বেদনা। বাৰু শুনক—মদন চৌধুৰীৰ লগত বিয়া হৈ যোৱাৰ পোন্ধৰ দিন পাচতে, আমাৰ পানীচুক গাওঁ এৰি যোৰহাট পালোগৈ। তাতে মই মোৰ স্বামী মদন চৌধুৰীৰ প্ৰকৃত ৰূপটো দেখা পালো। বুজিলোঁ তেওঁ এজন প্ৰখ্যাত চোৰাং ব্যৱসায়ী। মাৰোৱাৰী মহাজনৰ সৈতে কাৰবাৰত নামি অন্যায়ৰ আশ্ৰয় লৈ, দুখীয়াক প্ৰতাৰণা কৰি অজস্ৰ সম্পত্তিৰ মালিক হৈছে তেওঁ।"

"অন্তৰ আছিল তেওঁৰ কদৰ্থ। সকলোৱে ভাবিছিল মদন চৌধুৰী বৰ সুখী। কিন্তু হায়! কোনে বুজিছিল যে তেওঁৰ দৰে দুখী জগতত নাই।" এটি দীঘল হুমুনিয়াহ তেওঁ কাঢ়ি কৈ যায়—মনত আছিল তেওঁৰ সন্দেহৰ ছাঁ। আনকি মোকে তেওঁ সন্দেহ কৰিছিল, মোৰ চৰিত্ৰৰ ওপৰত। নিশাৰ এন্ধাৰ আছিল তেওঁৰ বাবে নৰক যন্ত্ৰণা,—তেতিয়াই তেওঁ দেখিছিল দুঃস্বপ্নবোৰ। আমাৰ ঘৰলৈ আহিছিল একমাত্ৰ দিলীপ।"

আচলেৰে চকুদুটা মচি বীণাই আকৌ কবলৈ ধৰিলে—"ভাবিছিলো বাপেক মাকৰ মনত সিয়ে শান্তি দিব পাৰিব। হাইস্কুল পাচ কৰি সিও হৈ পৰিল অসৎ। মদ খায়, জুৱা খেলে। এদিন নিশা কোনেও নজনাকৈ বাকচৰ পৰা টকা ডেৰহাজাৰ লৈ সি যি নাইকিয়া হল, তাক আৰু আজিলৈ পোৱা নগল। আমাৰ দিলীপ আৰু নাহিল।" হঠাতে তেওঁ অদ্ভুত ধৰণেৰে উচুপি উঠিল।

"তাক বিচৰা হৈছিল জানো ?" নিস্তব্ধতা দুৰ কৰি প্ৰশ্ন কৰিলে ৰতনে।

"মানুহে কৰিব পৰাৰ ভিতৰত সকলোখিনি কৰা হৈছিল। বাতৰিত তাৰ ফ'টো, ৰেডিঅত বিজ্ঞাপন আদিৰে পুৰস্কাৰ ঘোষণা কৰিও তাৰ সন্ধান বিচৰা হৈছিল। কিন্তু যি এবাৰ গ'ল সি হলে আৰু নাহিল।"

"শেষত বিচাৰি নাপাই থিক কৰিলো টকাৰ

লোভতে তাৰ নগৰ গুণ্ডাৰ দলে তাক নিঃশেষ কৰি পেলাইছে । তাৰ চিন্তাই মন খেলিমেলি লগাই থাকোতেই আহি পৰিল মোৰ স্বামীৰ জীৱন-মৰণ সমস্যা । তেওঁৰ মগজুৰ বিকৃতি ঘটিছিল । ৰাতি স্বপ্নত হেনো দেখিছিল শত শত কাঙালৰ নৰকঙ্কাল বোৰে তেওঁক বেঢ়ি ধৰে ! মাজে মাজে দিনটোও হেনো দেখা দি বিদ্রুপৰ হাঁহি মাৰে । এই সকলোবোৰে লগ লাগি লাখপতি মদন চৌধুৰীৰ জীৱনৰ অৱসান ঘটাই আনে । মানসিক ৰোগত ভুগি ডিব্রুগড় হস্পিতালত তেওঁৰ মৃত্যু হয় ।" মোৰ হাতত ৰৈ যায় অজস্র টকা ও সম্পত্তি, দালান আৰু চাকৰ কেইটামান । মুখত কাপোৰ দি তন্ময়া হৈ বীণা মনে মনে ৰল । ৰেল তীব্র গতিত চলিছে ।

"সেই সম্পত্তিবোৰৰ অৰ্দ্ধেক প্রতিৰক্ষা পুঁজিলৈ দান দিয়া হৈছে । কিছু অংশ গাওঁৰ পাঠশালা এটা নির্ম্মাণত খৰচ কৰা হৈছে ।" —শুনাত কেনেবা যেন লাগিলেও ৰতনৰ ভাল লাগিল পাপৰ ধন পৰাচিতত যোৱা দেখি । বীণাই এইবাৰ পৰিশ্রান্ত মানুহৰ দৰে ঘণাই দুবাৰ মান উশাহ ললে । জীৱনৰ এক অধ্যায় পাঠ কৰি তেওঁ যেন ক্লান্ত ।

"যদি তুমি শুনিব খোজা তেন্তে মোৰ জীৱনৰো এটি অধ্যায়কে তোমাক শুনাও । মই ভাবো তোমাতকৈ মোৰ কাহিনী আৰু বিচিত্র হব ।" বীণাই ৰতনৰ ফালে চাই ৰ'ল; তেওঁতকৈও ৰতনৰ কাহিনী কি বিচিত্র হব পাৰে তাৰে আশাত ।

"শুনা বীণা ! তোমাক নাপায় যেতিয়া সকলো ফালে শূণ্য দেখিলো, তেতিয়া হঠাতে অনুভৱ কৰিলো জীৱনটোৰ এটা অর্থ আছে । সেয়ে বাসন্তীক আনি লৈ, সমাজত ভোজভাত নিদিয়া অপৰাধতে এঘৰীয়া হৈ থাকিবলৈও দ্বিধা বোধ নকৰিলো । কিছুদিন কৰিছিলো স্কুলত চকিদাৰী, এতিয়া হৈছো আধিয়া মাটিৰ কৃষক । অজয়ে আহি আমাৰ পজা পোহৰাইছিল । নিজে নোৱাৰিলো নাই, অজয়কে নানা কষ্টৰ মাজেৰেও হাইস্কুলত পঢ়াবলৈ ধৰিলো । কিয় কব নোৱাৰো, সে মোৰ দৰে জীৱনৰ পাক-চক্ৰৰীত পৰিয়েই হঠাতে হুস্কুল লগালে, সি মিলিটাৰী হ'ল । ইতিমধ্যে সি হাফলঙত ট্রেইনিং এটাও লৈ আহি ঘৰ পালেহি ।"

"সিদিনাৰ কথা মোৰ বেচ মনত আছে । বাংলা দেশৰ মুক্তি সংগ্ৰাম আৰম্ভ হৈছে । যুদ্ধত ভাৰতেও সক্রিয় অংশ গ্ৰহণ কৰিছে । অজয়ও ওলাল যুদ্ধলৈ । বাসন্তীয়ে যাবলৈ নিদিয়ে । অজয় কিন্তু যাবই । মাকৰ মতে সি চাকৰি বাকৰি কৰি থাকক । মই কিন্তু অজয়ক বাধা নিদিলো ; কোনে কাক বাধা দি ৰাখিব পাৰে । সি গ'ল ।

"আমি মাহে টকা পাই থাকো । যুদ্ধত আমাৰ ভাল বুলি শুনো । এদিন বাতৰি কাকত এখনত তাৰ ফটো দিয়া বুলি গম পালো । সি বোলে বেচ নাম কৰিছে । বাসন্তীক কওঁ । তাই চকুলো টোকে । আমাক সুধীয়েই বুলিব পাৰি । মাত্র দুখ অজয়—দুবছৰ পাৰ হল তাৰ দেখাদেখি নাই ।"

"শেষত এদিন সি আহিল ; কিন্তু কি হব । সি নহা হলেই ভাল আছিল । সি আহিলে এখন কাঠৰ ভৰি লগাই । মোৰ চিঞৰ বাখৰ শুনি বাসন্তী ভিতৰৰ পৰা উধাতু খাই দৌৰি আহি, উজুতি খাই পিৰালিতে হামখুৰিখাই পৰি গল । মুখেৰে তেজ ওলাল । চিকিৎসা চলিল যদিও বাসন্তী হলে নাবাচিল ।"

"তাৰ পিচত ?" ক্লান্ত হৈ ৰতন বৈ যাওঁতে বীণাই পুনঃ প্রশ্ন কৰিলে ।

"তাৰ পিচত পৰিল অজয়ৰ পাল । কাল আহিল । দুর্ভগীয়া মোৰ লগত কেইটামান দিনহে আৰু থাকিল । এদিন নিশা এটা বিকট চিঞৰ মাৰি শোৱা পাতিৰ পৰা মাটিত পৰিল । খকামকাকৈ চাকিটো জ্বলাই দেখো—তেজ, কেৱল তেজ । অজয়ৰ কাটি পেলোৱা ভৰিখনৰ পৰা তেজ ওলাইছে ।"

"পিচদিনা পুৱা তাক গুৱাহাটীলৈ লৈ যোৱা হ'ল । সি ঘৰলৈ আহোতে ভালেমান কাপোৰ কানি আৰু সোণৰ অলঙ্কাৰ পাতি লৈ আহিছিল । নাজানে,

হতভগাই বা সেইবোৰ কিয় আনিছিল। হস্পিতালত আজি সি এঘাৰ দিন পৰি আছে। যোৱা নিশা ডাক্তৰৰ পৰা এখন টেলিগ্ৰাম পালো, অজয়ৰ অৱস্থা সংকটজনক। সেয়ে আজি উধাতু খাই দৌৰি আহিছোঁ। নাজানো তোমাৰ পিতাৰাইয়েবা আজি কিয় মহা দানী জন হৈ মোক ধন যাচিবলৈ ওলাইছে। বোধকৰো অজয়ৰ দৰে বীৰ জোৱানৰ বাপেৰ বুলিয়ে। মই নললো। মোৰ আজিও মনত আছে অজয়ক কলেজত পঢ়ুৱাবৰ বাবে ১০০ টকা বিচাৰোতে মোক বিদ্ৰুপ কৰিছিল, দুখীয়াৰ বাবে কলেজ নহয় বুলি। সেইবোৰ বাওক। এতিয়া যদি ইচ্ছা কৰা, আহা হস্পিতালৰ ২৪ নং কোঠালিটোতে সি পৰি আছে, এবাৰ চুয়ো চাই লওঁ।"

গুৱাহাটী ৰেল্ ষ্টেচন পায় ৰেলখন ৰৈ গ'ল।

০ ০ ০ ০ ০ ০ ০ ০ ০

"ওহো নহল, একেবাৰে আধৰুৱা।" কণকদাৰ চিয়ঁৰত মই উচাপ খাই উঠিলোঁ। কিন্তু মোৰ যে পঢ়া শেষ। সকলোৰে শ্ৰেষ্ঠ বোলা গল্পটিক আধৰুৱা বোলাত হতাশা অনুভৱ কৰিলোঁ।

"শুনা নৰেন। গল্পটি তোমাৰ হৈছিলেই। কিন্তু মই কোৱা মতে তুমি ফটো দুখনৰ সমন্বয় ঘটাব নোৱাৰিলা। তুমি সমাজখনৰ ওপৰে ওপৰেহে চকু ফুৰালা। ইয়াৰ অভ্যন্তৰীন ঘটনাটোত দৃষ্টিপাত কৰা হলে তোমাৰ গল্প সম্পূৰ্ণ হলহেঁতেন। বাৰু এইখিনিকে যোগ দিবাচোন, এইবুলি কোৱা আৰম্ভ কৰিলে,—মই কাগজ এটুকুৰাত টুকি গলো।

০ ০ ০ ০ ০ ০ ০ ০ ০

ৰাষ্টাৰ দাঁতিৰ লাইট পোষ্টটোৰ তলতে ঠিয় হৈ গাড়ীৰ বাবে বাট চাই আছে তিনিও।

"সকলো বিধাতাৰ অভিশাপ বীণা।" হুমুনিয়াহ কাঢ়ে ৰতনে।

"বিধাতাৰ অভিশাপ নহয় ৰতনদা, এইয়া বিধাতাৰ অভিশাপ।" আচৰিত ধৰণৰ মন্তব্য কৰে বীণাই।

"বিনতা" ??? ··· ···· · ঝণ্ ঝণ্ কৈ যেন বাজি উঠিল ৰতনৰ জীৱন বীণাৰ আটাইকিডাল তাঁৰ। অদ্ভুত চাৱনিৰে চাই ৰ'ল বীণাৰ ফালে।

"শুনক ৰতনদা মৃত্যুৰ কেইদিনমান আগৰে পৰা মোৰ স্বামীৰ মুখত এই নামটো শুনা গৈছিল। মৃত্যুৰ আগ মুহূৰ্ত্ততো তেওঁ মোক কৈছিল এই সকলোবোৰ বিধাতাৰে অভিশাপ বুলি। তাৰ পিচত তেওঁ বিনতা বিনতাকৈ দুবাৰ মান চিঞৰিছিল আৰু ক্ষন্তেক পাচতে চকু মুদিছিল। মই তেওঁক কেইবা দিনো এই 'বিনতা' কোন সুধিছিলো। তেওঁ কিন্তু কোনো উত্তৰকে দিয়া নাছিল। মই অনুমান কৰি লৈছিলো··· ··· ··· ।"

"অনুমান নহয় বীণা সত্যই।" ৰতনে কৈ গল—

"মোৰ বিয়াৰ আঠমাহ মান পিচত এদিন নিশা ভাওনা চাই উভতি আহোতে আমাৰ পানীচুক গাওঁৰ মুৰৰ এটি পঁজাত কোনো এক নাৰীৰ এক বিকট চিঞৰ শুনিবলৈ পালোঁ। জুমি চাই দেখো টিমিক টামাক চাকিৰ পোহৰত তিৰোতা এগৰাকীয়ে চাটি ফুটি কৰিছে। কাষতে সদ্যজাত এটি বালক শিশু। চাই থাকোতেই তাইৰ জীৱন বন্তি নুমাল। শিশুটিক মোৰ ঘৰলৈ আনি বাসন্তীৰ কোলাত তুলি দিলোঁ। সেই নিশাই কোনোৰে গম নেপোৱাকৈ মৃতকক মৈৰ পাৰতে পুতি থৈ আহিলোঁ। পিচদিনা পানীচুক গাওঁৰ দুই চাৰিজনী তিৰোতাৰ মুখত শুনিছিলোঁ—পতিতা বিনতাক দেওভূতে কাটি মাৰি থলে।"

"আৰু সেই শিশু?" উদ্‌ভ্ৰান্ত ৰতনক বীণাই আৰু বিহ্বল কৰি তোলে।

"সেই শিশুটিয়ে মোৰ অজয়, বীণা। বাসন্তীৰ ভাগ্য যে তাই সন্তানহীনা আছিল। মোৰ সৌভাগ্য যে আজি অত দিনৰ মূৰত হলেও মই তাৰ অজ্ঞাত জন্ম ৰহস্য জানিব পাৰিলো অজয়ৰ হয়তো সৌভাগ্য যে ইমানবোৰ খেলিমেলি জনাৰ আগতে সি ইহ সংসাৰ ত্যাগ কৰিছে। আহা বীণা অজয়ৰ মৃতদেহটিকে চুয়ো এবাৰ চাই লওঁ।"

চিটিবাচ খনে আহি তাত থমকি ৰয়।

০ ০ ০ ০ ০ ০ ০ ০ ০

এইবাৰ মই আগৰ পৰা গুৰিলৈকে গল্পটি আকৌ এবাৰ পঢ়ি চাব খুজিলোঁ। কিন্তু কি আচৰিত মইযে পঢ়িব নোৱাৰো। মুঠৰ ওপৰত কণকদাৰ কথাখিনি যোগ দিয়াত গল্পটিয়ে সম্পূৰ্ণ হৈ জীৱন্ত ৰূপ ললে। সি এতিয়া আৰু আধৰুৱা নহয়। ● ● ●

# মাজত মাথো শেৱালী

ঘূৰটোৰ পৰা ওলাই অহাৰ লগে লগে মূৰটো আচন্দ্ৰাই কৰা যেন অনুমান হ'ল। দেহত মোৰ কিহবাৰ অজান শিহৰণ। পিৰপিৰণি। তেজ চলাচল ক্ৰমে তীব্ৰৰ পৰা তীব্ৰতৰ হ'ল। দুৰ-মূৰকৈ গাড়ীখনত উঠি সন্মুখলৈ চলাই দিলো। শৰত নিশাৰ কোমল জোনাকো মোৰ অসহ্য লাগিল। ৰাস্তাৰ দুয়োপাৰে গভীৰ অৰণ্যানি। জোনাকে গোটেইখন চৌৱাই থৈছে। মোৰ গাড়ীৰ সন্মুখৰ লাইট দুটাও হঠাৎ যেন জোনাকত নিষ্প্ৰভ হৈ পৰিল। গাড়ীৰ ইঞ্জিনৰ অহৰহ শব্দৰ লগে লগে মোৰ মনকো কিছুমান দুঃচিন্তাই অহৰহ কোবাই যাবলৈ ধৰিলে। মানসিক স্থিৰতাকণো মই যেন হেৰুৱাইহে পেলালো…।




"ককাইদেউ ! অহা ভাজেই শুই গ'লা দেখোন ! চাওঁ উঠা, জোতা-মোজাখোৰ খুলি কিবা অলপ খাই লোৱা।" —যমুনাৰ মাতত মোৰ সম্বিত ঘূৰি আহিল। চকুমেলি চাওঁ, যমুনাই ক্ষীণ পোহৰৰ চাকি এটা মোৰ মুখৰ ওচৰত ধৰিছেহি। যমুনাক মোৰ বাবে বৈ থাকিবলৈ নকৈ শুই থাকিবলৈ কলো। কেতিয়া কেনেকৈ নীৰেণ তাৰপৰা আহি এইখিনি পালোহি মই কব নোৱাৰো। আজি ৰাস্তাত নীৰেণৰ তাত অলপ বাকৈয়ে গিলি আহিলো। আনদিনা হোৱা হলে মই নিচাত চকু মেলিবই নোৱাৰিলোহেঁতেন। কিন্তু আজি সম্পূৰ্ণ দুটা বটল ঘোট ঘোটকৈ পিয়ো

বিমান বড়া
১ম বাৰ্ষিক বিজ্ঞান (প্ৰাঃ বিঃ)

মই এতিয়াও সম্পূৰ্ণ হুচত আছো । সকলো মই কব পাৰো। যমুনা আতৰি নগল । মোৰ ভৰিৰ পৰা জোতাযোৰ খুলি দি তাই ভৰি-পঠানৰ পিনে মাটিতে বহি থাকিল । তাই চাগে মোক আজি পুৰাদমে খাই অহা বুলি জানিব পাৰিছে । চাকিটো বেৰৰ এচুকত কাঠৰ গছা এটাৰ ওপৰত ধিনিক্-ধামাক্কৈ জ্বলি আছে । যমুনাৰ চাগৈ টোপনি আহিছে। মোৰ সোঁ ভৰিৰ ওপৰত তাইৰ মূৰটো ঢলি পৰা মই গম পাইছোঁ। মাহী হয়তো এতিয়া টোপনিত। নতুবা সাৰে থাকি নিঃশব্দে আমাৰেই উমৃঘান্ লৈ আছে । এয়াযে নতুন নহয়। যমুনা এইদৰে বহুদিন এনেভাৱে শুই পৰিছে । আজিও শুইছে। মোৰ বাবে ৰৈ থাকি থাকি ৰাতিৰ কেইবা সাজো ভাত নোখোৱাকৈ থকা মই কব পাৰোঁ। আজিও চাগে তাই লঘোণীয়া দেহাৰেই এতিয়া টোপনিত পৰিছে। মোৰ বাবেই আৰু দুখতে তাইয়ো যে বৰ কষ্ট ভুগিছে । হঠাতে মোৰ তাইলৈ বেয়া লাগি গ'ল ।

এইজনী যমুনা। যমুনা মোৰ ভনী। বেতবাৰী গাৱঁৰ ধীৰাজ চৌধুৰীৰ মাজুটো পুতেকলৈকে মোৰ এইজনী ভনীক মই গটাব খুজিছো। যমুনাৰ লগত চৌধুৰীৰ পুতেকৰ এই চিনাকি বহু পুৰণি । দুয়ো দুয়োকে খুউব ভাল পায় । যমুনাই মোক কৈছে, তাইক যেন মই কমলৰ বাহিৰে আনলৈ নধৰো। কমলক যে তাই খুউব ভাল পায়। পায় কমলেও। বাধা হ'ল ধীৰাজ চৌধুৰী । কমলে মোক কৈছে, মই এবাৰ কথাটো চৌধুৰীক কলে চৌধুৰী সন্মত হব পাৰে। পাৰে নহয়, সন্মত হবই । কাৰণ, মোৰ ক্ষমতা আছে। শক্তি আছে। মোক প্ৰায় সকলোৱে ভয় কৰে । মোৰ টকা-কড়ি নাই। সাধাৰণ ড্ৰাইভাৰ মানুহ মই । কদমনী গাৱঁৰ দেউধন হাজৰিকাৰ তিনিটনৰ পুৰণি পেট্ৰল লৰীখন মই চলাওঁ। ৰাতি গাড়ী ৰাখো মোৰ চোতালত । পুঁৱতি নিশা চৰায়ে কুকুলিয়াৰ আগেভাগেই উঠি মই গাড়ী উলিয়াই নি নাগৰমল মহাজনৰ ধান-সৰিয়হ উঠাওঁ। নাগৰমল ব্যৱসায়ী মানুহ । সকলো ধৰণৰ ব্যৱসায় কৰি সি বৰ্ত্তমান হাত পকাই পেলাইছে । অজস্ৰ সম্পত্তি তাৰ । হাজৰৰিকাৰ লৰীখনকে সি নিজৰ ব্যৱসায়ত খটুৱাইছে । তেল-মবিল আৰু ড্ৰাইভাৰৰ 'দৰমহা' দিয়ো সি এটা শকত পৰিমাণৰ ধন মাহে মাহে হাজৰিকাক দিয়েগৈ । হাজৰিকাও চলি আছে। টাউনত হাজৰিকাৰ পকা ঘৰো নোহোৱা নহয়। অৱশ্যে সেই ঘৰ ভাড়ালৈ দি ধনখিনি ডেৰাডুনত থকা একমাত্ৰ পুতেকলৈ হাজৰিকাই পঠিয়ায়। পুতেক হেনো তাত কিহবাৰ ট্ৰেইনিঙত আছে। নাগৰমলৰ ব্যৱসায়ৰ টকাৰে ময়ো চলিছো, মোৰ তিনিজনীয়া পৰিয়ালটোও চলিছে । মাহীৰ পিত্তৰ চিকিৎসাও মই সেই ধনেৰেই কৰাই আছো। যমুনাৰ মাক মোৰ মাহী। হাজৰিকাৰ লগত মোৰ কোনো ধৰণৰ লেঠা নাই। আগতে আছিল। আজিকালি মাহেকৰ মূৰতহে কাচিৎ আমাৰ দেখাদেখি হয় । দেখিলে খবৰ সোধে; মোৰ, যমুনাৰ আৰু মাহীৰ ।

পহুমৰা গাওঁৰ প্ৰায় প্ৰত্যেকেই মোক ভয় কৰে। কাৰণ আছে। সকৰে পৰা মই লৰা অলপ বেলেগ ধৰণৰ। মা-দেউতা মোৰ সৰুকালিতেই ঢুকাইছে। মোক কোনে ডাঙৰ কৰিলে তাকো মই নাজানিলো। জানো, মই অঘাইটং । মোৰ লগৰবোৰো আছিল ধুৰ্ত্ত। বদ্মাইচ। সদায় নাগৰমলৰ বোজাই গাড়ী ধৰি আমি দিনটোৰ ৰোজগাৰ উলিয়াও। নাগৰে চোৰাং কাৰবাৰ কৰে। টাউনৰ পৰা মটৰ লৈ আহি সি গাৱেঁ গাৱেঁ ধান চাউল, কেচামাল উঠায় আৰু দূৰলৈ চালান দিয়ে। অজস্ৰ লাভ তাৰ। আনাক দিয়া ধনৰ পৰিমাণ দেখিয়েই আমি সকলো বুজি পেলাইছো । এদিন মোৰ এটা চাকৰি ওলাল হাজৰিকাৰ ঘৰত। তাৰ কেইমাহ মানৰ পিচত লৰীৰ ড্ৰাইভাৰ । নাগৰমলে এদিন হাজৰিকাৰ গাড়ীকে ভাড়ালৈ ললে । লগতে ললে মোকো । নিজৰ গাড়ীয়ো নাগৰমলৰ নোহোৱা নহয় । অৱশ্যে মোক

পোৱাৰ চলতে এখনৰ সংখ্যা বঢ়ালে । তাৰ এতিয়া সুবিধাও হল । অসুবিধা হ'ল মোৰ পুৰণি বন্ধুবোৰৰ । মই থকা হেতুকে নাগৰমলৰ গাড়ী ধৰিবৰ সাহস সিহঁতে নকৰা হ'ল । ৰাইজেতো নকৰেই । উপায়হীন হৈ নতুন ৰোজগাৰৰ অনুসন্ধানত সিহঁত বাহিৰ ওলাল । হেমিদে চিলাই শিকিলে । নীৰেণে মোৰ অহাযোৱা বাটত চুলাইৰ দোকান দিলে । ৰচুলে আকৌ কণটিৰ ভনীয়েকক নি কোনোবা অচিন ঠাইত ঘৰ-গোজা মাৰিছে । বিচাৰিবৈগে কণটি এদিন টাউন ওলাইছিলহি । হাবাথুৰি খাই শেষত ভনীয়েকৰ নামত ,পানী এচলুদি তাতে মেকানিক শিকি বহি গ'ল । মধুসিঙৰ কাৰখানাৰ সি হেড মেকানিক । তাৰ কাম ভাল । মোৰ গাড়ী বেয়া হলে সি অলপ ভালকৈ চোৱাচিতা কৰে । এতিয়াও মাজে মাজে কেতিয়াবা ভনীয়েকৰ কথা কৈ সি দুখ কৰে । মস্ত মানুহটো হঠাতে ভাগি পৰে । তাৰ দুখ ৰ'ল ৰচুললৈ । মুছলমান হলেও ভনীয়েকক সি ৰচুললৈকে দিলেহেঁতেন । প্ৰেমৰ জাতিভেদ, ধৰ্ম্মভেদ নাই । সি বুজে । ৰচুল আৰু আমাৰ পুৰণি পিৰীতিৰ কথাও সি নজনা নহয় । ৰচুলক সি কোনো দিন ক্ষমা নকৰে । বিশ্বকৰ্ম্মাৰ নামত শপত খাই এইয়া কণটিয়ে মোক কৈছে ; মই শুনি গৈছো ।

মইয়ো শেৱালীক ভাল পাইছো । যমুনাক এঘৰলৈ উলিয়াই পঠোৱাৰ লগে লগে শেৱালীক মই নিজা কৰি লম । শেৱালীহঁতৰ ঘৰখন মান্তি হৈছে । মান্তি নহবলৈ মাক-বাপেকৰ বাহিৰে শেৱালীৰ কেও নাই । হলধৰ যোৱা আঘোণতে আপোনঘাতী হ'ল । সি শেৱালীতকৈ ডাঙৰ আছিল । শোকাতুৰ বুঢ়া-বুঢ়ীয়ে মোৰ চকুলৈকে চাই জীয়াই আছে । প্ৰথমে তেওঁলোকো অমান্তি হৈছিল । শেৱালীৰ অকুণ্ঠিত স্বকীয় উত্তৰকেই শুনি শুনি তেওঁলোক এতিয়া বাধ্য । শেৱালীক মোলৈ দিবই । শেৱালীহঁত পৰিমৰা নহয় । খাউন্দহঁতৰ দৰে ডাঙৰ নহলেও তিনিজনীয়া পৰিয়ালটো সুখেৰে চলিবলৈ থকা ঠাইতে সকৈ হলেও এখন পাম্ আছে । বছৰেকত ভালেমান ৰাহি হয় । মই হলো এটা সামান্য ড্ৰাইভাৰ । হলেও যৌৱনগছকা দিনৰে পৰা মইয়ো শেৱালীক ভাল পাইছো । আগেয়ে তাইক মোৰ এনেয়ে ভাল লাগিছিল । পুৰণি মৰমেই আমাৰ বাবে এতিয়া প্ৰেম হ'ল । সহজ ভাষাত কবলৈ হলে আমি বেয়াকৈ প্ৰেমত পৰিলো । ড্ৰাইভাৰ হলেও শেৱালীক মোলৈকে গতাই বুঢ়া-বুঢ়ী সিকাতি হবলৈ ব্যাকুল । মোৰ ফালৰ পৰা মইয়ো চেষ্টা চলাইছো । প্ৰস্তুত হব কিন্তু পৰাগৈ নাই ।

যোৱা ডাঙৰটো বানপানীত মই গাৱঁলৈ বানপীড়িত ৰাইজক লৰীৰে বচদ্-পাতি যোগাইছিলে । যোগান ধৰিছিল চৰকাৰে । তেতিয়া হাজৰিকাই নিজৰ গাড়ী নিজ ব্যৱসায়ত খটুৱাইছিল । চৰকাৰে গাড়ী ভাড়ালৈ ললে । ড্ৰাইভাৰ হেতুকে সৰু-সুৰা বোজা এটা মোৰ পিঠিতো পৰিল । হিচাব-নিকাচৰ বাবে মোৰ লগে লগে থাকিল চৰকাৰে বান্ধি দিয়া মহৰী । সেই বাবেই মই পাওঁ যমুনাহঁতক । সিহঁত তেতিয়া প্ৰায় নিঠৰুৱা । বানপীড়িত । বাপেক আৰু ভায়েকহঁতক পানীত হেৰুৱাই সিহঁত মথাউৰীত উঠিছেহি । হঠাৎ এদিন ৰাতি ঘৰ ঘৰকৈ পানী সোমাই ভায়েকহঁতক চাঙেৰে সৈতে পানীয়ে উটুৱাই নিলে । শব্দ শুনি যমুনাই সাৰ পায় পিতাকক চিঞৰে । পিতাকে পুতেকহঁতক বচাবলৈ গৈ আৰু ঘুৰি নাহিল । গাৱঁৰ ৰাইজেই মাক আৰু যমুনাক বচালে । এইয়া হ'ল যমুনা পৰিয়ালৰ কথা । কাহিনী ॥ সিহঁত অতীজৰ মাজৰবৰি গাৱঁৰ মানুহ । উঠি আহি তেতেলীমৰাত আছিলহি । এতিয়া অৱশ্যে পহুমৰাত মোৰ লগত আছেহি । যমুনাৰ মাকক মই মাহী বোলো । যমুনা মোৰ ভনী । মোৰ আগৰ কোনো ভাই-ভনী নাই । যমুনায়ো ভায়েকহঁতক হেৰুৱাই মোকেই ককায়েক হিচাবে লৈছে । মৰমো কৰিছে । এইজনী যমুনাই মোৰ বাবে এতিয়া বহু ৰাতিলৈ খপি থাকে । মই নাগৰমলৰ চোৰাংবেহা খটম্ কৰি অহালৈকে তাই লঘোণে বহি থাকে । মাহীৰ পিত্ত থকা বাবে উঠি লৰি ফুৰিবও ৰবকৈ

নোৱাৰে। কিবা দুটামান সুমুৰাই লৈ ৰাতিতে চাওত উঠে। যমুনাক মোৰ আপোন আপোন লাগিছে। ভনীৰ সঁচা মৰম মই পাইছো। দিনটোৰ ব্যস্ততাৰ মাজতো এবাৰ যমুনাৰ ক্ষীণ কণ্ঠস্বৰ শুনিবলৈ মই ওৰেটো দিন ব্যাকুল হৈ থাকো। ঘৰ পালেই দিন ৰাতিৰ সকলো ভাগৰ মই যমুনাৰ মুখলৈ চায়েই পাহৰি পেলাওঁ। এইজনীয়েই সেই যমুনা। মোৰ ভনী যমুনা॥ যমুনাৰ পুৰঠ নিপোতল মুখখনত মই এতিয়াও কেতিয়াবা অতীতৰ হিয়া-ভগা করুণ প্ৰতিচ্ছবি দেখিবলৈ পাওঁ। মই উচপ্ খাই উঠো। দুৰ্বাৰ ইচ্ছা হয় তাইৰ এৰিথৈ অহা করুণ কাহিনীবোৰ পুনৰ শুনিবলৈ। পিছ মুহূৰ্ত্তত মই পুনৰ স্থিৰ হৈ পৰো। তাইৰ অতীতক পাহৰাৰ বৃথা চেষ্টা চলাওঁ। চেষ্টা কৰোঁ তাইকো পাহৰাবলৈ। হিয়া-উপচায় তাইক মৰম কৰিবলৈ লওঁ, যাতে গৰকি অহা কঠোৰ অতীতে তাইৰ ফেনকোমল হৃদয় খুন্দিয়াবলৈ মিছা চেষ্টা নকৰে। তাইৰ যেন অকলশৰীয়া অনুভৱ নহয়। এইজনী ভনী যমুনাকে মই ধীৰাজ চৌধুৰীৰ মাজু পুতেকলৈ দিয়াৰ কথা ভাবিছো। এক-মাত্ৰ ভনীজনীক এঘৰলৈ চিৰদিনৰ বাবে উলিয়াই দিয়াৰ কথা মনলৈ অহাৰ লগে লগে মোৰ হৃদয় বিচূৰ্ণ হৈ যোৱাৰ উপক্ৰম কৰিছে। তথাপি যমুনাই কমলক ভাল পাইছেই যেতিয়া কমললৈকে মই যমুনাক গটাব লাগিব। লৰাটো ভালেই। যমুনাৰ উপযুক্ত। সিহঁত দুয়ো সুখীয়েই হব। কমলৰ মত মই লৈছো। সি সন্মত। কেৱল ধীৰাজ চৌধুৰী সন্মত হলেই হ'ল। চৌধুৰীকো সন্মত নয়েই কৰাব লাগিব। মই পাৰিম। মোৰ ক্ষমতা আছে। সাহ আছে। পুৰণি নাম আছে। সৰু কালৰ কেতবোৰ দুঃসাহসৰ কথা ওচৰৰ দুই তিনিখন গাৱঁলৈকে জানে। বেতবাৰীয়েও জানে। আৰু চৌধুৰীহঁতো মানুহ বেতবাৰীৰেই।

০ ০ ০

ধীৰাজ চৌধুৰী প্ৰথমে জ্বলি-পকি উঠিছিল। তীব্ৰভাৱে অসন্মত হৈছিল। কমলৰ ভৱিষ্যত আৰু নিজৰো ভৱিষ্যতৰ কথা সোঁৱৰাই দি মই ভয়াবহ এবাৰ কথা কৈ পেলোৱাৰ পিচ মুহূৰ্ত্তত চৌধুৰী নিশ্চুপ হৈ পৰিল। চৌধুৰীৰ সেই সময়ত হোৱা বুকুৰ শব্দ মোৰ বাহিৰেও কোঠাটোৰ প্ৰত্যেকখন চকী-মেজে শুনিবলৈ পাইছিল। পলকহীন স্থিৰ দৃষ্টিৰে বহুসময় তললৈ চাই থাকি হঠাতে এটা দীঘল হুমুনিয়াহ এৰিদি চৌধুৰীয়ে সেইষাৰ কথা কলে। মই বিব্ৰত হৈ পৰিলো। ভবাৰ শক্তি মোৰ নোহোৱা হ'ল। মোৰ মূৰৰ ওপৰেদি যেন এচাটি কৰবাৰ অচিনাকী গৰম বতাহ বলি গ'ল। মোৰ সমগ্ৰ সত্বা প্ৰচণ্ড যন্ত্ৰনাত চট্ফটাবলৈ ধৰিলে। নিৰুত্তাপ, নিৰাসক্ত, নিৰানন্দ এক স্থিৰ অভিব্যক্তিৰে মই কণ্ঠত বজ্ৰনিৰ্ঘোষ স্বৰ লৈ চৌধুৰীৰ কথাৰ সন্মতি জ্ঞাপন কৰি ওলাই আহিলো। বাটত নীৰেণৰ সুধাই মোৰ কণ্ঠৰ সকলো জড়তা নোহোৱা কৰি পেলালে। মোৰ কণ্ঠনলী শীতল হ'ল।

অলপ আগতে এইমাত্ৰ নীৰেণ মোৰ ওচৰৰ পৰা উলটি গৈছে। শেৱালীৰ প্ৰতি থকা মোৰ প্ৰেমৰ কথা এদিন মই এই নীৰেণৰ যোগেদিয়েই শেৱালীৰ বাপেকৰ সন্মুখত ব্যক্ত কৰিছিলো। আজি আকৌ সেই নীৰেণকে মই পুনৰ শেৱালীহঁতৰ ঘৰলৈ পঠিয়াইছো। তাক কৈ পঠিয়াইছে, নগদ তিনিহেজাৰ ধন দিবলৈ মান্তি হলেহে মই শেৱালীক বিবাহ কৰাব পাৰোঁ। নহলে শেৱালীক নিবলৈ মই অনিচ্ছুক। শেৱালী অসন্তুষ্ট হব, ভাগি পৰিব। আৰু মোক নীচ মন্তব্যও কৰিব। কিন্তু মইযে নিৰুপায়। সেন টকা মোক বৰ দৰ্কাৰ। মই জানো, মোৰ বাহিৰে কেতিয়াও শেৱালীয়ে আনক হৃদয় দান নকৰে। ফলত মাক-বাপেক মোৰ চৰ্ত্তত বান্ধ খাই পৰিব। আৰু শেৱালীহঁতে অলপ কষ্ট কৰিলেই সেইখিনি গা-ধন দিবলৈ সক্ষম হব। কিন্তু মই ক'ৰ পৰা দিম! মইযে দুখীয়া! ভিকহু!! মোৰ যমুনাৰ গা-ধন তিনিহেজাৰ এনেকৈয়েতো মই চৌধুৰীক দিব লাগিব। নহলে যমুনাৰ বিয়া নহব। যিটো মই কোনোদিনে সহ্য কৰিব নোৱাৰো। ধীৰাজ চৌধুৰী কমল-যমুনাৰ মাজত ওখ প্ৰাচীৰ হৈ থিয় দিব। মোৰ প্ৰচণ্ড শক্তিকো উলাই কৰি। সেয়ে একমাত্ৰ

ভনী যমুনাৰ ৰঙীন ভবিষ্যতৰ কথা কল্পনা কৰি মই বাধ্য হৈছো। সন্মত হৈছো। আহোঁতে নীৰেণক মই মাতি আহিছিলো। সি আহিছিল আৰু এতিয়া অলপ আগতে শেৱালীহঁতৰ ঘৰলৈকে হয়তো সি গৈছে।

যমুনাৰ বিয়া হবই। ইয়াত সন্দেহৰ কথা নুঠে। কিন্তু আগতে মোৰ আৰু শেৱালীৰ বিয়াখন হব। নহলে চাওকনা, গা-ধন মই যমুনাৰ বাবে দিম ক'ব পৰা ?॥





ক্ষিতেন লহকৰ
২য় বাৰ্ষিক (বিজ্ঞান)

কোনোবা এটা শীতৰ কুঁৱলীয়ে আবৃত্ত ৰাতিপুৱা হাতত সৰু বহীখন লৈ যেতিয়া কলেজৰ গেটখনেৰে কলেজ চৌহদলৈ সোমাও তেতিয়াই কোনোবা এখন খিৰিকীৰে এখন মুখে ভুমুকি মৰা দেখো। আন কোনো ফাললৈ চোৱা মোৰ অভ্যাস নাথাকিলেও সেই ফাললৈ চাই পাৰ হৈ যোৱাটো মোৰ এটা অভ্যাস।

কেতিয়াবা থৰ হৈ চাই থাকো তাইৰ কেশগুচ্ছ, তাইৰ ভঙ্গি, তাইৰ হাঁহি। ফেন্সী কাপোৰৰ ৰঙীন লুঙী, ফুলাম কুৰ্তা, সেই একেখন মুখ, এযুৰি সজল চকু, মেলি থোৱা চুলি আৰু মনোৰম হাঁহিৰে বিভিন্ন ৰূপত বিভিন্ন বেশত সেইখন মুখ সদায়ে মই দেখি আহিছো—পৰী যেন তাই। তাই স্মিতা।

আৰু নন্দিতা? যাৰ বাবে মই স্মিতাৰ সকলো সুখ শান্তি কাঢ়ি আনিছো। নন্দিতা, নন্দিতাৰ লগত তুলনা নহয় স্মিতাৰ। ব্যক্তিত্ব, চৰিত্ৰ, কি ৰূপৰ।

কিন্তু ময়েই ভাঙিচিঙি পেলালো স্মিতাৰ এই ৰূপ, যেন এটা মাৰ্বলৰ মূৰ্তিহে। আজি স্মিতা অশ্ৰুশিক্তা। ইচ্ছাকৃত ভাবে জানো কৰিলো মই এই নিৰ্মম কাৰ্য্য? পৰিস্থিতিয়ে বাধ্য কৰাইছিল মোক। কিয় এই কাম কৰিছিলো মই? মই জানো মোৰ অবিহনে বন্তিৰ জন্মদিন কেতিয়াও ধুমধামেৰে পাতিব নোৱাৰিলেহেঁতেন।

আৰু সেই স্মিতা। সেই সাহসী ছোৱালী জনী। যাক মই কলেজ চৌহদৰ ভিতৰত প্ৰথম দেখিয়ে মৰমত আপ্লুত হৈ পৰিছিলো। যাৰ দেহৰ বসন্তই বলীয়া কৰিছিল বহুতক। সেইজনী মনোলোভা স্মিতাকে মই আজি ঘূণীয়া কৰিছো বন্তিক জন্ম দি। তাৰ কাৰণো আছে। অৰ্থও নোহোৱা নহয়।

কাৰণ মোকো টকা লাগে। আজিৰ সমাজত

ৰাজসুখ পঙ্গু লোকেও বিচাৰে, সাধু-সন্যাসীয়েও কামনা কৰে—গতিকে মোৰ কামনাত দোষ কি ? মইও আন দহজনৰ লগত মানুহ হিচাবে জীয়াই থাকিবলৈ বিছাৰো। মোৰোতো এটা জীৱন আছে। কোনোবা স্মিতাৰ দামী সংসাৰ চুৰমাৰ হলেই বা তাতেই মোৰ ক্ষতি কি ? হওঁকনা মোৰ বাবেই কোনোবা স্মিতাৰ কুৎসিৎ সন্তান। বীভৎস চেহেৰাৰ। বিনিময়ত মইতো টকা পাইছো। বস্তিৰ জীৱন দি।

স্মিতাৰ ৰূপলৈ চালে মোৰ ফালে চায় কোনে ? আজিৰ জগতখনতো নিজক লৈয়ে ব্যস্ত। গতিকে আজিৰ সমাজৰ লগত মইওতো খোজ মিলাব লাগিব। নহলে প্ৰাপ্যও দেখো থিতাতে হেৰাব। সমাজে দেখো মোক হাঁহিব। আজিৰ সমাজতটো পাপ নাই। গতিকে মইও নিজক লৈ ব্যস্ত হলো।

সেয়ে মইও আগবাঢ়ি গলো পোহৰ বিচাৰি। কাৰোবাক এন্ধাৰৰ মাজলৈ ঠেলি দি হলেও মোৰ জীৱনক মই পোহৰাব লাগিব।

সেই এন্ধাৰ নামি আহিল স্মিতাৰ চাৰিওকাষে। উদ্ধাৰৰ আৰু কোনো আশা নাই স্মিতাৰ। কোনো সূৰ্য্যৰ পোহৰে পোহৰাব নোৱাৰে স্মিতাৰ এই দুঃসহ কলঙ্কিত জীৱনক। কাৰণ স্মিতাৰ সকলো সৌন্দৰ্য্য, সকলো গৰ্ব মই কাঢ়ি নি দি দিছো নন্দিতাক কিছু টকাৰ বিনীময়ত। যদিও স্মিতাৰ প্ৰতি মোৰ মৰম, ভালপোৱা বহুত বেছি—তথাপিও নন্দিতাৰ টকাই স্মিতাৰ ওপৰত থকা মোৰ সকলো মৰম চেনেহ নাইকিয়া কৰি দিছিল তৎক্ষণাত। দোষ মোৰ নহয়। নন্দিতাৰো নহয়। আজিৰ সুস্থ সমাজখনক শোষিত কৰা সমাজ মুৰব্বী সকলৰহে। নহলে স্মিতা আৰু মোতকৈ কম বিদ্যা বুদ্ধিৰ নন্দিতাই ৰাজদুলাৰী হৈ মোৰ হতুৱাই স্মিতাৰ বুকুত কেতিয়াও বিভৎস চেহেৰাৰ এটি বিকলাঙ্গ সন্তানক জাপি দিব নোৱাৰিলেহেঁতেন।

কোনেও ভাবি নাপালে কেনেকৈ স্মিতাৰ গৰ্ভত এই সন্তানে জন্ম পালে। হয়তো স্মিতাৰ ৰূপৰ লগত তাইৰ সন্তানৰ ৰূপক তুলনা কৰিবলৈ সাহস নাছিল এজনৰো। হয়তো স্মিতাৰ সন্তানৰ ৰূপ দেখি ভয়তে সকলোৱে কোচমোচ খাইছিল—নিজৰ ভিতৰতে। হয়তো স্মিতাৰ কোলাত এনেকুৱা সন্তান দেখি বহুতেই আচৰিত হৈছিল। হয়তো ........... । কাৰণ স্মিতাৰ এটা নিজস্ব সৌন্দৰ্য্য আছে। যি সৌন্দৰ্য্য তাইৰ সাধাৰণ সাজপাৰৰ মাজতো প্ৰকট হৈ ফুটি ওলায় !

বীভৎস চেহেৰাৰ শিশুটিৰ মাক যে স্মিতা এই কথা ভাবিলে আচৰ্য্য বোধ হয় সকলোৱে। কাৰণ এতিয়াও স্মিতাক দেখিলে বয়সে ঠিক কোবাই যোৱা যেন নালাগে। যেন পাট গাভৰুৰ সাজ এৰি গাভৰুৰ সাজ পিন্ধিছে মাত্ৰ। স্মিতাৰ এই ৰূপে মোক আজিও কলেজৰ চাৰিবেৰৰ মাজলৈ টানি নিয়ে।

মোৰ মন-চকুৱে আজিও স্মিতাক দেখে—শুকুলা কাপোৰজোৰ পিন্ধি, বৈ পৰা চুলিকোচা বতাহত এৰি দি কলেজ চৌহদৰ পৰা ওলাই অহা।

তাইৰ সেই ৰূপৰ প্ৰতিবিম্বই মোক বাৰে বাৰে আঘাট কৰিছিল। তথাপিও মই তাইক পাহৰি যাবলৈ বাধ্য হৈছিলো।

তেতিয়া স্মিতাক শিৰত সেন্দুৰ পিন্ধাই চাৰিটা কলপুলিৰ তলত একুৰা হোমৰ জুই আৰু চাৰিজন বামুণৰ মন্ত্ৰ পাঠক সাক্ষী কৰি অলকেশ বৰুৱাই নিজা কৰি লৈছে মাত্ৰ।

অ'নহাতে নন্দিতাইও সন্তীয়া চেহেৰাটোৰে দীপাঙ্কৰ চৌধুৰীক কিনি পেলাইছে। কাৰণ মোৰ নিছিনা টকা পইচা নোহোৱা দীপাঙ্কৰ চৌধুৰীৰ পঢ়া-শুনাৰ সকলো খৰচ পাতি বহন কৰিছিল নন্দিতাৰ দেউতাক ধীৰাজ চলিহাই। আনকি এম-এ পাছ কৰাৰ পিচতো দীপাঙ্কৰক ধীৰাজ চলিহাই চাকৰি কৰিবলৈ নিদি নিজৰ ব্যাৱসায় প্ৰতিষ্ঠানত সুমুৱাই লৈছিল সোঁহাত কৰি। কাৰণ চলিহাই বুজিছিল চলে বলে কৌশলেৰে নন্দিতাক বিয়া দিব নোৱাৰিলে নন্দিতাৰ ৰূপ চাই কোনেও নন্দিতাক বিয়া নকৰায়।

সেই জালৰ পৰা ওলাই আহিবৰ অসপো শক্তি নাছিল দীপাঙ্কৰৰ। কাৰণ দীপাঙ্কৰক মানুহ কৰাৰ

লগতে সিহঁতৰ পৰিয়ালটিক পোহপাল দিছিল একমাত্ৰ নন্দিতাৰ দেউতাক ধীৰাজ চলিহাই।

সেয়ে তেওঁৰ কথামতে এদিন দীপাঙ্কৰে নন্দিতাক সেন্দুৰ পিন্ধাই নিজা কৰি লৈছিল সুপৰিকল্পিত ৰভাতলী এখনৰ মাজত, উৰুলি, বিয়া নাম, বামুনৰ মন্ত্ৰ পাঠ, ফটকাৰ শব্দ, গান বাজনা আদিৰ মাজত ৰাখি হোমৰ জুই একুৰাৰে।

এইদৰে একেলগে পঢ়ি অহা নন্দিতা আৰু স্মিতাৰ বিয়া হৈ গল মোৰ দুচকুৰ আগতে। মই কেৱল পঢ়িয়ে থাকিলো। মই হেনো ডাক্তৰ হোৱা দেউতাই সপোন দেখে; আৰু এদিনাখন দেউতাৰ আশা পূৰ্ণ হল। মানে মই ডাক্তৰ হলো। এম-বি-বি-এছ পাছ কৰিলো। তেতিয়া নন্দিতা আৰু স্মিতাৰ বিয়া হবৰ প্ৰায় এবছৰ হওঁ হওঁ।

দুয়ো মাতৃ হোৱাৰ পথত। গৰ্ভত নৱজাত শিশুৰ ভৰ। আৰু হয়তো কিছুদিন পিছত দুয়োয়ে মাতৃ হোৱাৰ গৌৰৱেৰে হাঁহিৰ ৰঙৰ সজাব। নন্দিতা আৰু স্মিতা দুয়ো একেলগে মাতৃ হব। দুটি নৱ জীৱন আগবঢ়াব পৃথিৱীৰ বুকুত।

হয়তো দুয়োৰে নৱজাতকে একে ভাবতে নুবুজা ভাষাৰে হাঁহিব, কান্দিব—কোনো পাৰ্থক্য নেথাকিব জাতি বৰ্ণৰ, সিহঁতৰ হাঁহিৰ সিহঁতৰ কান্দোনৰ, উচ্চ-নিম্নৰ।

অথচ পাৰ্থক্য দুয়োৰে মাতৃৰ। এজনী-আনজনীৰ লগত নিমিলে। নন্দিতাৰ মুখত হাঁহি, স্মিতাৰ মুখত কান্দোন, অলকেশে ডাক্তৰ বিচাৰে, ডাক্তৰে দীপাঙ্কৰক বিচাৰে, নন্দিতাৰ দেউতাকে নাতিৰ আগজাননীত শুভ কামনা কৰি দুখীয়াক ভিক্ষা দিয়ে, স্মিতাৰ দেউতাকে নৱজাত নাতিক সুখত ৰাখিবলৈ ভিক্ষা মাগে, নন্দিতাৰ কোঠাত সুন্দৰ ৰূপৰ নতুন চেহেৰাৰ বহুতো বালক কৃষ্ণ গোট খাই আৰু স্মিতাৰ কোঠাৰ জোলোঙাৰে বহুতো নৰকঙ্কালে জুমি চায়। দুয়ো মাতৃ হব, একে যন্ত্ৰনাকে ভোগ কৰিব—অথচ দুয়োৰে মাজত কি প্ৰভেদ।

আনফালে মই ডাক্তৰি পাছ কৰি এবছৰৰ বাবে এপ্ৰেন্টিচ খাটি শেষ কৰিলো কিন্তু চাকৰি হলে স্থায়ী ভাবে নহল। কাৰণ মোৰ হৈ কোৱা কোনো নাই। মা দেউতাৰ ময়ে যথাসৰ্বস্ব। মই কিবা কৰিলেহে মা দেউতাই সুখত থাকিব পাৰিব। মোৰ হৈ কোৱা দুৰত থাকক গান্ধীটুপীটোকে ভালকৈ পিন্ধিবলৈ নিশিকিলে আজি অতদিনে।

মই নিজেই বহুত খাটিলো। এম্-এল-এ, মিনিষ্টাৰ বহুতকে লগ ধৰিলো। সকলোৱে আশ্বাস দিলে হব বুলি। কিন্তু কোনো নাহিল মোক সহায় কৰিবলৈ। সকলো ব্যস্ত নিজক লৈয়ে। নিজক সুখত ৰাখিব পৰাটোৱে প্ৰত্যেকৰে কামনা। গণতান্ত্ৰীৰ দেশ এইখন।

পুনৰ হাঁহি-কান্দোনৰ মাজত সোমাই পৰিলো। অসংখ্য ৰোগীৰ উস্ আহ শব্দ। কোনো ধনী, কোনো দুখীয়া। কোনোবা পেটৰ বেমাৰী, আন কোনোবা বা চকুৰ বেমাৰী। কাৰোবাৰ নৱজাত শিশুৱে হাঁহিছে কাৰোবাৰ নৱজাতকে বুজিব নোৱাৰা ভাষাৰে কান্দিছে। কোনোবা মাতৃয়ে প্ৰসৱৰ যন্ত্ৰণাত চটফটাইছে, ইকাতি সিকাতিকৈ ভগবানৰ নাম স্মৰণ কৰিছে আৰু কোনোবা খাটী নাৰ্চে অসমীয়া পানীকেচুৱাৰ মাতৃ হৈ মৰমত কোচত লৈছে, আন কোনোবাই বা নৱজাতকৰ ওজন লৈছে ইত্যাদি মই সদায়ে দেখো।

কিন্তু আজি এইয়া কাৰ মুখ দেখিবলৈ পাইছো। এয়া দেখোন মোৰ একালৰ কলেজীয়া বন্ধু স্মিতা আৰু নন্দিতা। দুয়ো দেখোন মাতৃ হোৱাৰ পথত। পেটত সন্তানৰ ভৰ লৈ আশাভৰা চকুৰে মোৰ ফালে চাইছে। ভাবটো এনেকুৱা : মোৰ ওপৰত যেন সিহঁতৰ সকলো।

স্প্ৰিঙ লগোৱা ষ্টিলৰ ফেহুৰঙা বিচনা দুখনত পৰি আছে—এহাতে স্মিতা, আনহাতে নন্দিতা।

লেউসেউ দিয়া স্মিতাৰ কাষত থিয় হৈ অলকেশে স্মিকাৰ মূৰ পিহি পিহি সময়ৰ ক্ষণ গণিছে। খাটী নাৰ্চ ভ্ৰিয়েমক অলপ স্মিতাক চাবলৈ কাকুতি কৰিছে। আৰু ভগবানক খাটিছে স্মিতাক জীৱন-সংগ্ৰামৰ পৰা

সোনকালে উদ্ধাৰ কৰিবলৈ।

আনফালে নন্দিতাক আগুৰি ৰাখিছে সহস্ৰ ডাক্তৰ-নাৰ্চে। আৰু দীপাঙ্কৰে হাঁহি হাঁহি ডাক্তৰ বোৰক কৈছে—আপোনালোক আছে যেতিয়া ভয় কিহৰ?

আৰু এটা সময়ত দুয়োজনীকে অগাপিচাকৈ লেবাৰ ৰুমলৈ লৈ যোৱা হল। দুয়োজনীৰ চিঞৰ-বাথৰৰ বিনিময়ত ডাক্তৰ নাৰ্চৰ আন্তৰিকতাত পৃথিবীৰ বুকুলৈ নামি আহিল দুটি জীৱন। দুটি বেলেগ ৰূপ লৈ। নন্দিতাৰ গৰ্ভত জন্ম হ'ল এটি নতুন মানুহৰ। এটি বিকলাঙ্গ সন্তান। বীভৎস চেহেৰা। বৰ কুৎসিত ৰূপ লৈ।

কুৎসিত সন্তানৰ বাতৰি পাই মোৰ ওচৰলৈ দৌৰী আহিল নন্দিতাৰ দেউতাক ধীৰাজ চলিহা। যি কোনো উপায়েৰে হলেও নন্দিতাৰ সন্তানৰ ৰূপ মই ফিৰাই আনিবই লাগে। প্ৰতিদানত মোৰ অস্থায়ী চাকৰিটো স্থায়ী হব আৰু অজস্ৰ টকাৰ গৰাকী কৰি দিব মোক।

ইমান দিনে দেখি অহা সপোন যেতিয়া বাস্তৱ ৰূপ লৈ মোৰ ওচৰলৈ লৰবি আহিল, মোৰ আশাই যেতিয়া মোক হাত বাউলী মাতিব ধৰিছে গতিকে মইও স্তব্ধ হৈ থাকিম কিয়? মইও বৈ নাথাকিলো। নন্দিতাৰ সন্তানৰ ৰূপ মই ফিৰাই আনিবই লাগিব-—যি কোনো উপায়েৰে।

উপায় মই পালো। স্মিতাৰ বুকুৰ সন্তানক মই কাঢ়ি আনিলো নন্দিতাৰ বাবে। নহলে যে মোৰ অস্থায়ী চাকৰি স্থায়ী নহৈ অস্থায়ী হৈয়ে ৰব।

সেয়ে স্মিতা আৰু নন্দিতাৰ কেঁচুৱাক মই সলাই পেলালো। নন্দিতাৰ বুকুত স্মিতাৰ ফুল-কোমলীয়া পবিত্ৰ শিশুক মই শুৱাই দিলো। মনে মনে; কোনেও গম নোপোৱাকৈ।

চেতনা পাই নতুনকৈ মাতৃ হোৱাৰ আনন্দত কেঁচুৱা দুটিক সাবটি ধৰি বুকুৰ উম দিব বিচাৰিলে মাতৃ স্মিতাই আৰু নন্দিতাই। কিন্তু বৈ গ'ল স্মিতা। কেঁচুৱাৰ ৰূপ দেখি শিয়ৰি উঠিল স্মিতাৰ সৰ্ব্বশৰীৰ। অতি দুখত কণ্ঠৰ পৰা ওলাই আহিল—"ভগৱান, এয়া মোক কি দিলা? এইটো কাৰ সন্তান? ইমান কুৎসিতটো মই নহয়। আৰু অলকেশেওটো একো পাপ কৰা নাছিল। তেন্তে কাৰ পাপৰ প্ৰায়শ্চিত্ত এয়া।"

স্মিতাৰ জীৱনলৈ প্ৰথম এন্ধাৰৰ পদক্ষেপ পঠালো মই। যাৰপৰা উদ্ধাৰৰ আৰু কোনো আশাই নাই স্মিতাৰ। স্মিতাক এন্ধাৰলৈ ঠেলি মই পোহৰৰ বাট বিচাৰি পালো। অকল মইয়ে নহয় নন্দিতাইও। টকাই নন্দিতাক নতুন জীৱন দিলে। যাৰ ৰূপ চায়ে নন্দিতাই নিজৰ কুৎসিত চেহেৰাটোকে পাহৰি থাকিব পাৰিব ওৰে জীৱন।

নন্দিতাৰ কোলাত মই দিয়া নৱজাতকৰ নাম হল "বন্তি"। যি বন্তিয়ে পোহৰাই তুলিলে নন্দিতাক, দীপাঙ্কৰক, ধীৰাজ চলিহাক আৰু পোহৰাই তুলিলে মোৰ পৰিয়ালবৰ্গকো। হওকনা মোৰ এই কামৰ বাবে স্মিতাৰ কুৎসিত সন্তান—

তাতেই বা মোৰ ক্ষতি কি? বিনিময়ত আজি বন্তিৰ জন্মদিনটো উলহ-মালহেৰে পাতিব পাৰিছে।

আজি বন্তিৰ প্ৰথম জন্মদিন। বন্তিৰ জন্মদিনৰ কেকটো ময়ে দিব লাগিব। কাৰণ বন্তিয়ে মোক পোহৰাই তুলিছে। অৱশ্যে বন্তিৰ জন্মদিন খাই আহোতে মোৰ কলেজীয়া বন্ধু মনোলোভা স্মিতাৰ ঘৰটো এপাক মাৰিব লাগিব—মই দিয়া নন্দিতাৰ বীভৎস সন্তানটিয়ে কেনে ৰূপ লৈছে চোৱাৰ আশাৰে! যিহেতু স্মিতাক মই অন্তৰৰ পৰাই ভাল পাওঁ, মৰম কৰো যদিও নিজৰ স্বাৰ্থৰ কাৰণে স্মিতাৰ বুকুত মই বীভৎস সন্তানটি জাপি দিছো—তথাপিও স্মিতা মোৰ বাবে বহুত ওপৰত, বৰ মৰমৰ, অতি স্নেহৰ নন্দিতাতকৈ।

সেয়ে বোধহয় স্মিতাৰ অশান্তিৰ প্ৰতিক্ৰিয়াই আজি মোৰ মনত বাঁহ লৈছে মনে মনে। বন্তিৰ জন্মদিনৰ হাঁহিৰ স্বাদ লবলৈ মই আজি ঢাপলি

নেদেখিছো যদিও মোৰ মনে যেন কবলৈ বিচাৰিছে—"সমাজৰ পৰা এই কলঙ্ক গুচিব কেতিয়া ? সঁচা মানুহৰ জীৱনক প্ৰতিষ্ঠ কৰিব কোনে । সঁচা সংগ্ৰামৰ পৰা মৰীচিকা গুচাই পোহৰৰ সন্ধান দিব কোনে ? কেতিয়া ??"

মোৰ মনলৈ ধুমুহা হৈ অহা এই আঘাতে মোৰ গতিপথ কপাই তুলিছে । কোনে জানে হয়তো স্মিতাৰ অতীত জীৱনৰ প্ৰতিবিম্বই মোৰ মনত আত্মঅনুশোচনাৰ বেদনা জাপি দিলে । হয়তো বা হয় । হয়তো বা নহয় । কিন্তু মোৰ গতিপথ যে ৰুদ্ধ হৈ গৈছে সেয়া হলে মিছা নহয় ।

● ● ●



## দৃষ্টি-ভঙ্গী

বৈজ্ঞানিক অগ্ৰগতি অব্যাহত হৈ থাকিব বুলি আশা কৰাৰ আৰু এটা যুক্তি আছে। সেইটো হৈছে এই যে সমাজৰ আটাইতকৈ প্ৰতিভাশালী লোকসকল আগতকৈ বেছি পৰিমাণে বিজ্ঞানৰ প্ৰতি আকৃষ্ট হৈছে। লিওনাৰ্ডো দা ভিঞ্চি বিজ্ঞান আৰু কলাত সমানে পাৰদৰ্শী আছিল। কিন্তু তেওঁ তেওঁৰ শিল্প-সৃষ্টিৰ কাৰণেই আটাইতকৈ বেচিকৈ বিখ্যাত হৈছিল। তেওঁৰ নিচিনা সম-জাতীয় প্ৰতিভা-সম্পন্ন মানুহ এজন আজিৰ দিনত জীয়াই থকা হ'লে তেওঁ নিশ্চয় এনে এটা পদ অধিকাৰ কৰিলেহেঁতেন - য'ত তেওঁ তেওঁৰ সকলো সময় বিজ্ঞানৰ কাৰণে উছৰ্গা কৰাৰ প্ৰয়োজন হ'লহেঁতেন। তেওঁৰ ৰাজনীতি যদি ৰক্ষণশীল হ'লহেঁতেন, তেন্তে তেওঁ খুব সম্ভৱ হাইড্ৰোজেন্ বোমা তৈয়াৰ কৰাত ব্যস্ত থাকিলহেঁতেন; আমাৰ যুগে তেওঁৰ ছবিতকৈ হাইড্ৰোজেন্ বোমাক বেচি দৰকাৰী বস্তু বুলি ভাবে। হাঁয়, শিল্পীৰ এসময়ত যি মৰ্য্যদা আছিল, আজি আৰু সি নাই। ৰেণেচাঁ যুগৰ ৰজাসকলে মাইকেল্ এঞ্জেলোৰ কাৰণে প্ৰতিযোগীতা কৰিছিল; আধুনিক ৰাষ্ট্ৰই প্ৰতিযোগীতা কৰে আণবিক পদাৰ্থ-বিজ্ঞানীৰ কাৰণে।

—বাৰ্ট্ৰাণ্ড্ ৰাচেল

শিক্ষিত মানুহক নেতৃত্ব দিয়া সহজ কিন্তু তেওঁলোকক ভেৰাৰ পালৰ দৰে খেদি লৈ ফুৰোৱা টান; শিক্ষাৰ ফলত মানুহক শাসন কৰা সহজ হৈ পৰে, কিন্তু তেওঁলোকক দাসত পৰিণত কৰা হৈ পৰে অসম্ভৱ।


—লৰ্ড ব্ৰহাম্

মাত্ৰ কেইটামান ঝিলিৰ চিঞৰতে পথাৰখন ৰজন্জনাই থকাৰ কাৰণেই নাভাবিবা যে সিহঁতেই পথাৰখনৰ একমাত্ৰ অধিবাসী।

– এড্মাণ্ড বাৰ্ক

ক্ষমতাই মানুহক নষ্ট নকৰে; মূৰ্খৰ হাতত ক্ষমতা পৰিলে সেই মূৰ্খই ক্ষমতাক নষ্ট কৰে।

জৰ্জ বাৰ্ণাৰ্ড শ্ব




এই আলোচনীখনৰ সম্পাদক হৈ থকা কালচোৱাত বিভিন্ন সময়ত অসমৰে কেইজন-মান খ্যাতনামা ব্যক্তিক লগ পোৱাৰ সৌভাগ্য মোৰ ঘটিছিল—তেখেতসকলক পাই মই কোনোবাজনৰ পৰা বিচাৰিছিলো লিখনী, কোনোবাজনক বা আমনি কৰিছিলো কিছু-মান প্ৰশ্নৰ সমিধান বিচাৰি—

তেখেতসকলৰ প্ৰত্যেকজনে আন্তৰিকতাৰে মোৰ অনুৰোধ ৰক্ষাও কৰিছিল। "মুকলি চৰা" নামৰ শিতানটিৰে মই তেখেতসকলৰ অভিজ্ঞতাৰ কথা প্ৰকাশ কৰিলোঁ।॥

[ — সম্পাদক — ]

## ৰাজনীতিবিদ ডঃ হীৰেণ গোঁহাইঁৰ লগত এটি সাক্ষাতকাৰ ঃ

প্ৰঃ—বৰ্ত্তমান ভাৰতীয় কংগ্ৰেছৰ ৰাজত্ব শেষ পৰ্যায়ত উপনীত হৈছে—কংগ্ৰেছৰ অবিহনে ভাৰতীয় গণতন্ত্ৰৰ সত্যতা কোনে ৰাখিব পাৰিব বুলি আপুনি ভাবে ?

উঃ—কংগ্ৰেছৰ নাভিশ্বাস হোৱাৰ লগে লগে গণতন্ত্ৰৰ মুখাও স্থলকি পৰিছে। দমন-উৎপীড়নৰ যোগেদি বিক্ষুব্ধ জনতাক শান্ত কৰিবলৈ চেষ্টা চলিছে। চৰকাৰী নীতিৰ বিৰোধিতা কৰা সকলক য'তে ত'তে জধেমধে গ্ৰেপ্তাৰ কৰা হৈছে, শাস্তি দিয়া হৈছে অৰ্থাৎ গণতন্ত্ৰও মৃতপ্ৰায়। যেতিয়াই বুৰ্জোৱা শাসক গোষ্ঠি সংকটাপন্ন হয়, তেতিয়াই জনসাধাৰণৰ মতামতলৈ মন কাণ দিয়াৰ অভিনয় সিহতে বাদ দিয়ে।

বুৰ্জোৱা গণতন্ত্ৰ পুনৰ্জ্জীৱিত কৰা টান। তাৰ ঠাইত সৰ্বহাৰাৰ গণতন্ত্ৰ প্ৰবৰ্ত্তন কৰিব লাগিলে বুৰ্জোৱা শ্ৰেণীক বিলুপ্ত কৰিব লাগিব। জনসাধাৰণে ব্যাপকভাৱে সংগঠিত হৈ শোষণৰ বিৰুদ্ধে সংগ্ৰাম আৰম্ভ কৰিলেহে নতুন গণতন্ত্ৰৰ ভিত্তি স্থাপিত হব।

প্ৰঃ—বৰ্ত্তমান ভাৰতত চলি থকা ৰাজনৈতিক বিবেকবোধ কিহৰ ওপৰত ভিত্তি কৰি চলি যোৱা বুলি আপুনি ভাবে ?

উঃ—বেছিভাগেই পেশাদাৰী ৰাজনীতিৰ প্ৰতিষ্ঠাতা আৰু অৰ্থৰ প্ৰতি লোভৰ ওপৰত। আনকি তথাকথিত বামপন্থী নেতাও এই প্ৰবৃত্তিৰ পৰা সাৰি নাযায়। জনগণ আজিৰ দৰে বশীভুত হৈ নাথাকি নিজে সংগ্ৰামত লিপ্ত হলে নতুন বিবেকবোধ জাগ্ৰত হব বুলি ভৰসা কৰোঁ।

প্ৰঃ—কেনে ধৰণৰ শাসনতন্ত্ৰই মানৱতাবাদী এখন গণতন্ত্ৰৰ সৃষ্টি কৰিব পাৰে ?

উঃ—মানুহৰ নূন্যতম প্ৰয়োজনখিনি যি শাসনতন্ত্ৰই পূৰণ কৰিব নোৱাৰে—যেনে খাদ্য, বস্ত্ৰ, শিক্ষা, চিকিৎসা, আশ্ৰয়—সি কদাপি মানৱতাবাদী হব নোৱাৰে। এই প্ৰয়োজন পূৰণ কৰিবলৈ যাওঁতে যদি সাময়িকভাবে কোনো শাসনতন্ত্ৰই

কঠোৰ ব্যৱস্থাও গ্ৰহণ কৰে তেন্তে তাক "মানৱতাবাদী" বোলাত বাধা নাথাকিব ।

প্ৰঃ—গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাবে ভাৰতে কিমানদূৰ সফলতা লাভ কৰিছে বুলি আপুনি ভাবে ?

উঃ—ভাৰতৰ শাসকশ্ৰেণীয়ে এই প্ৰয়োজনবোৰ বিপুল জনসাধাৰণৰ ক্ষেত্ৰত পূৰণ কৰিব পৰা নাই । সাংবিধানিক অধিকাৰখিনিও ক্ৰমাৎ হৰণ কৰিছে । দমন-পীড়নৰ মাত্ৰা বঢ়াইছে । গণতন্ত্ৰ হিচাবে ইয়াক সফল বুলিম কেনেকৈ ?

প্ৰঃ—ভাৰতত দিনে দিনে শ্ৰমিক আন্দোলন বাঢ়িব ধৰিছে ইয়াৰ কাৰণ কি ?

উঃ—কাৰণ শ্ৰমিক শ্ৰেণী সংগঠিত আৰু শোষণৰ থুন্দাৰ বিৰুদ্ধে দৰিদ্ৰ জনগণৰ সংগ্ৰামত এই শ্ৰেণী সদায় আগৰণুৱা । যোৱা ২৭ বছৰে শ্ৰমিকশ্ৰেণীৰ হতুৱাই পুঁজিপতি শ্ৰেণীয়ে আগৰ তুলনাত ৪/৫ গুণ বেছি বস্তু উৎপাদন কৰা হৈছে, অথচ মজুৰি একেই ৰাখিছে । শোষণৰ এই কায়দাৰ ফল হাতে হাতে পোৱাৰ ফলত শ্ৰমিকশ্ৰেণী অশান্ত । অৱশ্যে শোষণ ব্যৱস্থা কেনেকৈ সলাব, সেই সম্পৰ্কে সমগ্ৰ শ্ৰমিক শ্ৰেণী সমানে সজাগ নহয় ।

প্ৰঃ—ভাৰতবৰ্ষৰ বৰ্ত্তমানৰ সমাজ ব্যৱস্থাৰ ওপৰত আপোনাৰ ভাৱধাৰা কেনেকুৱা ? এই সমাজ ব্যৱস্থাৰ পৰিবৰ্ত্তন আপুনি বিচাৰেনে ? যদি বিচাৰে আজিৰ ছাত্ৰ সমাজে ইয়াত কেনেদৰে সহায় কৰা উচিত ?

উঃ—এই সমাজ ব্যৱস্থা অমানুষিক । সি এক ক্ষয়িষ্ণু শোষণধৰ্ম্মী অৰ্থনীতিৰ ওপৰত প্ৰতিষ্ঠিত । এই শোষণ বন্ধ কৰিলেহে সমাজ ব্যৱস্থাৰ পৰিবৰ্ত্তন সম্ভৱ । আৰু এমুঠি শোষকৰ বিৰুদ্ধে চূড়ান্ত সংগ্ৰাম নচলালে এই শোষণ বন্ধ নহব । আমাৰ ছাত্ৰসকলে এতিয়াও এই শ্ৰেণী সংগ্ৰামৰ প্ৰয়োজন বুজা নাই । যিদিনাই বুজিব, নতুন সমাজ গঠনৰ বাট বহুখিনি পৰিষ্কাৰ হৈ যাব ।

—×—

# কবি নৱকান্ত বৰুৱালৈ মোৰ কেইটিমান প্ৰশ্ন :



প্ৰঃ—পৃথিবীৰ সৰ্ব্বশ্ৰেষ্ঠ কবিজন কোন বুলি আপুনি ভাবে ?

উঃ—অসমীয়া, বঙলা ইংৰাজী আৰু অলপ-অচৰপ হিন্দীৰ বাহিৰে বিশেষ কোনো ভাষাত মোৰ ব্যুৎপত্তি নাই, গতিকে উৰাবাতৰি হিচাবে বাল্মিকী, হোমাৰ দান্তে, গেটে ইত্যাদি বহুত নামেই মনলৈ আহে । কিন্তু মোৰ সীমিত অভিজ্ঞতাৰ মাজত অনুবাদৰ সহায় নোলোৱাকৈ দুজন মহান লোকৰ ৰচনাৰ সমকক্ষ ৰচনা আৰু কাৰো মই পোৱা নাই । —এজন ৰবীন্দ্ৰ নাথ আন জন শ্বেকচ্‌পীয়াৰ ।

প্ৰঃ—বৰ্ত্তমান বজাৰত অসমীয়া কবিতা পুথি কমকৈ ওলায় কিয় ?

উঃ—প্ৰকাশক সকলৰ মতে কবিতা পুথিৰ 'বজাৰ' সদায় "মন্দা" । পাঠকৰ দৃষ্টিভঙ্গিৰ পৰা আপোনালোকে কি ভাবে বাৰু ? কবি হিচাবে মই মোৰ কবিতাৰ কিতাপ হাতে হাতে থকাতো বিচাৰো নে নিবিচাৰো কব নোৱাৰো কিন্তু মোৰ কবিতাবোৰ মানুহৰ কণ্ঠে কণ্ঠে, চিত্তই চিত্তই থকাটো মই বাঞ্ছা কৰো ।

প্ৰঃ—আধুনিক কবিতা মানে কি ?

উ.—আধুনিক কবিতা বুলি বিশেষ কোনো এজাতৰ কবিতা নাই । বিভিন্ন কালত সেই সময়ৰ কবি পাঠকৰ চিন্তাধাৰা, মানসিকতা, আৰু সংযোগ কামনাই কবিতাৰ একোটা বিশিষ্ট ৰূপ আৰু ভঙ্গীৰ সৃষ্টি কৰে । এইটোৱে প্ৰকৃততে কবিতাৰ অ.ধুনিকতা বা সাম্প্ৰতিকতা । আৰু এটা সমস্যা অৱশ্যে

আছে-- সেইটো হ'ল অতীতৰ বিভিন্ন যুগত ৰচিত কবিতাবো পিচৰ যুগত বিশেষ অৱদান থাকিব পাৰে। সেইটোকো এক প্ৰকাৰৰ আধুনিকতা বুলি কব খোজা হয়। কিন্তু মোৰ বোধেৰে এইটো কবিতাৰ বিশ্বজনীনতাৰ লক্ষণহে Relevence আৰু আধুনিকতা সমৰ্থক বুলি কলে বহুতো আউল লগাৰ সম্ভাৱনা।

প্ৰ:—আপুনি কবিতাৰ মাজেৰে আমাক কি দিব বিচাৰে ?

উঃ—মোৰ কবিতাৰ মাজেৰে জানো আপোনালোকে সেইখিনি পোৱা নাই ? নাই যদি মোৰেই দুৰ্ভাগ্য ! কবিয়ে কি কব খুজিছে সেইটো যদি কব লগা হয় সেইটোও এটা কবিতাহে হব।

প্ৰঃ—অসম সাহিত্য সভাই আপোনালোকক কেনে ধৰণে অবিহনা যোগাইছে বুলি আপুনি ভাবে ?

উ:—সমাজ আৰু ব্যক্তি—বহু আৰু এক। এই দুটাৰ বিভিন্ন মিলন আৰু মিশ্ৰণতে কবিতাৰ সৃষ্টি হৈছে সচা, কিন্তু কোনো সভাৰ প্ৰস্তাবে সাহিত্যৰ সৃষ্টি কৰাৰ খবৰ মই অন্ততঃ নাজানো। অসম সাহিত্য সভাৰ পৰা স্নেহ, প্ৰীতি ইত্যাদি পাইছো কিন্তু লেখক হিচাবে মই কেৱল 'মই' আৰু মানব সমাজ এই দুটা কথাহে ভাবো। কোনো সভা অনুষ্ঠান আদিৰ কথা নাভাবো।

প্ৰঃ—কবিতাৰ সৃষ্টিৰ ক্ষেত্ৰৰ প্ৰেৰণা আৰু অনুশীলনীৰ স্থান কেনে বুলি আপুনি ভাবে ?

উঃ—জীৱনানন্দ দাসে কৈছিল—"সকলেই কবি নয়, কেউ কেউ কবি"

মই সঁচাই বুজি নাপাওঁ কিছুমান মানুহে কিয় কবিতা লিখে বা লিখিব পাৰে। মই ভাবো মই লিখা প্ৰত্যেকটো কবিতাই মই লিখিব লগীয়া শ্ৰেষ্ঠতম কবিতাটোৰ অনুশীলনী মাথোন।

প্ৰঃ—আপুনি কবিতা সৃষ্টিৰ ক্ষেত্ৰত কেনে ধৰণৰ পৰিবেশ বা পৰিস্থিতি বিচাৰে ?

উঃ—কবিতা ৰচনা কৰা কাৰ্যটোৰ সময়ত বিভিন্ন মানুহে বিভিন্ন পৰিবেশ বিচাৰে। যেনে কোনোৱে ভাল পায় নিৰ্জনতা, কোনোৱে ভাল পায় কোলাহল, কোনোবা এজনে হেনো ৰবফত ভৰি দুখন দি নথলে একো লিখিবকে নোৱাৰে। হাতত বা কাষৰ এক্সট্ৰেত জ্বলি থকা চিগাৰেট এটা নোহোৱাকৈ মইও কিজানি বিশেষ একো লিখি পোৱা নাই। কিন্তু প্ৰশ্নটো নিশ্চয় সেই অৰ্থত কৰা হোৱা নাই।

কবিতা আৰু জীৱনৰ ধৰ্ম্ম একে। পাৰিপাৰ্শ্বিকতাৰ লগত খাপ খুৱাই লব পৰাটোৱে যেনেকৈ জীৱনৰ ধৰ্ম্ম ঠিক তেনেকৈয়ে জীৱনৰ পাৰি-পাৰ্শ্বিকতাৰ লগত সংগতি ৰাখি আত্মপ্ৰকাশ কৰাটোৱে কবিতাৰ ধৰ্ম্ম। কীটছৰ এটা শাৰী মোৰ সততে মনত থাকে—"Poetry of the earth is never dead."

—×—

## সুৰশিল্পী কথাছবি পৰিচালক ডঃ ভূপেন হাজৰিকাৰ লগত এটি মুহূৰ্ত :



প্ৰ:—এখন উন্নত ধৰণৰ কথাছবি কৰিবলৈ হলে চিত্ৰ নিৰ্ম্মাতাজনে কি কি মনোভাব লব লাগে ?

উঃ—এজন চিত্ৰ নিৰ্ম্মাতাই চিত্ৰ নিৰ্ম্মাণৰ আগতে তিনিটা কথা ভাবিব লাগে : তেওঁ কাৰ কাৰণে ছবিখন কৰিছে ? তেওঁ দৰ্শকক কি ভবাই তুলিব খুজিছে ? ছবিখনৰ বিষয়বস্তুক বাস্তব ভাবে চেলুলয়ডত ৰূপ দিবলৈ তেওঁৰ বৈজ্ঞানিক নূন্যতম গুণখিনি আছেনে ?

প্ৰঃ—অনা অসমীয়া কিছুমান কথাছবি দেখা যায় তাৰ মূলবস্তু কিবা থাকক বা নাথাকক কিন্তু ভীষণ জনসমাদৰ লাভ কৰে---আনহাতে সেই একে সময়তে দেখা যায়, অসমীয়া ছবিৰ মূল্য যিমানেই নাথাকক জনসমাজত সি আৱশ্যকীয় সমাদৰ লাভ নকৰে। ইয়াৰ কাৰণ কি ?

উঃ—কিছু অসমীয়াৰ বাবে সকলো অনা অসমীয়া মালেই ভাল। সেইটো কাৰ দোষ ? অসমত মিঠা বগৰীও আছে। তথাপি আমি কেঞা বগৰী ভাল

পাওঁ যে !

প্ৰঃ—এখন যি কোনো ভাষাৰ কথাছবিয়ে সেই ভাষাৰ সংস্কৃতিক আগুৱাই নিয়াত কেনেদৰে সহায় কৰে ?

উঃ—যদি নিৰ্মাতাজনৰ সংস্কৃতিৰ বিষয়ে জ্ঞান থাকে তেতিয়াহে !

প্ৰঃ—আপুনি কথাছবি এখনৰ মাজেৰে আমাক কি দিব বিচাৰে ।

উঃ—চিত্ৰখনৰ যিটো বিষয়বস্তু সেইবিষয়ে দৰ্শকে যাতে চিন্তা কৰে, সেই চিন্তাকে মই আগতে কৰি লওঁ ।

প্ৰঃ—কেনে ধৰণৰ ছবিয়ে আপোনাক আকৰ্ষণ কৰে ?

উঃ—সমাজ সচেতনতা থকা ছবিয়ে ।

প্ৰঃ—আজিৰ দিনত "জ্যোতি চিত্ৰবণ"ৰ তাৎপৰ্য্য আপুনি কি বুলি ভাবে ?

উঃ—অসমীয়া ছবি সৃষ্টিৰ বাবে 'জ্যোতি চিত্ৰবণ' জীয়ন্ত হব লাগে এতিয়াই । নহলে ততালিকে তাক বন্ধ কৰি চাউলৰ গুদাম কৰি দিয়া উচিত । খাদ্য নিগমক দি দিলে ৰাইজৰ উপকাৰ হব—এই খাদ্য নাটনিৰ দিনত ।

প্ৰঃ—আপোনাৰ দৃষ্টিত অসমীয়া বোলছবিৰ ভৱিষ্যৎ কেনেকুৱা ?

উঃ—ভৱিষ্যত ?? বহুতে কয় অতীতেই নাই ! বৰ্তমানো নাই !! তথাপি মই আশাবাদী। মোৰ মনেৰে ভৱিষ্যতত সকলোৱে মিলি হাতে কামে লাগি অসমীয়া ছবি কৰি যাব লাগিব । কোৱানটিটিৰ পৰা কোৱালিটি পাবগৈ ।

—×—

## গীতিকাৰ নিৰ্ম্মলা প্ৰভা বৰদলৈৰ লগত এখন্তেক ঃ

প্ৰঃ—কেনেধৰনৰ গীতে আজিৰ সমাজখনক আকৰ্ষণ কৰে ?

উঃ—আজিৰ সমাজেই হওক বা কালিৰ সমাজেই হওক বিশেষ একশ্ৰেণীৰ গীতে গোটেই সমাজক সমানে আকৰ্ষণ কৰে বুলি কব নোৱাৰি, কাৰণ এখন সমাজ বিভিন্ন মানসিক স্তৰৰ লোকৰ দ্বাৰা সংগঠিত একে সময়তে স্বৰ্গীয় সঙ্গীত, লোকসঙ্গীত আৰু সৃষ্টিমূলক নব সঙ্গীতৰ প্ৰতি আকৰ্ষণ একেখন সমাজতে থাকিব পাৰে। আজিৰ সমাজ বুলি প্ৰশ্নকৰ্ত্তাই যদি নব দৃষ্টি ভঙ্গীৰ আধুনিক মানসিকতাক বুজাব খুজিছে তেতিয়া হলে কব লাগিব যে পৰীক্ষা-মূলক সৃষ্টিৰ প্ৰতি আজিৰ ডেকা সমাজৰ আকৰ্ষণ বেছি।

প্ৰঃ—আপোনাৰ গীতবোৰ কেনেকুৱা হোৱাটো আপুনি বিচাৰে ?

উঃ—দ্বিতীয় প্ৰশ্নৰ উত্তৰ মই দিয়াতকৈ অন্যই কোৱাহে ভাল, নহয় জানো ? মই নিজে অৱশ্যে এইটোকে কব পাৰো যে মোৰ গীত সকলো কালৰ সকলো মানুহৰ হৃদয়ৰ প্ৰতিধ্বনি হওক, সত্য অনুভূতিৰ একাকাৰ হওক, যথাৰ্থ সুৰেৰে ই প্ৰাণময় হওক—এয়ে মোৰ আকাংক্ষা।

প্ৰঃ—অসমৰ কোনজন গীতিকাৰক আপুনি শ্ৰদ্ধা কৰে ; আপুনি গীত লিখাৰ প্ৰেৰণা কাৰ পৰা পালে ?

উঃ—অসমৰ প্ৰতিজন গীতিকাৰকে মই অন্তৰেৰে শ্ৰদ্ধা কৰো। প্ৰথম গীত জীৱনত লিখিছিলো ষষ্ঠ মান শ্ৰেণীত পঢ়ি থাকোতেই—তেতিয়া কিজানি উপচি পৰা অনুভূতিয়েই গীত লিখাইছিল। তাৰ পাচত ক্ৰমান্বয়ে পূজনীয় দেউতা, মা, শিক্ষাগুৰু পদ্মধৰ চলিহাদেৱ, পৰাগধৰ চলিহাদেৱ আৰু মোৰ গীতক অকুণ্ঠ অভিনন্দন জনোৱা হাজাৰ শ্ৰোতৰ পৰা। ( শিৱসাগৰত পঢ়ি থকা কাল ছোৱাত মোৰ গীতময়ে সুৰদি গাই বহুতো পুৰস্কাৰ পাইছিলো ) গুৱাহাটীলৈ আহি বি-এ পঢ়িবলৈ লোৱাৰ পৰা গীত লিখিবলৈ বহুত বছৰ

একেবাৰে এৰি দিছিলো। স্বনামধন্য লোকসকলৰ গীত শুনি, তেওঁবিলাকৰ গীত গাই তেতিয়া লাজ লাগিছিল—ভাবিছিলো—ময়ো গীত লিখো! বহুত দিনৰ পাছত ব্ৰজেনদাই (শিল্পী ব্ৰজেন বৰুৱাই) মোৰ এই লাজ বাৰে বাৰে আতঁৰাবলৈ উদগনি দি কথাহৰিৰ কাৰণে প্ৰথমে গীত তেখেতেই লিখায়। অনাতাঁৰৰ কাৰণে লিখিবলৈ প্ৰথম প্ৰেৰণা দিয়ে মোক শ্ৰীপুৰুষোত্তম দাস আৰু শ্ৰীগীৰেন ফুকনে। তাৰ পাচৰ প্ৰেৰণা প্ৰতিজন শ্ৰোতাৰ পৰা প্ৰতিজন শিল্পীৰ পৰা প্ৰতিজন সুৰকাৰৰ পৰা মই এনেকুৱাকৈ লাভ কৰিছো যে তাৰ বাবে তেওঁবিলাকৰ ওচৰত মই চিৰঋণী হৈ ৰৈছো।

প্ৰঃ—কেনেকুৱা গীতে অসমীয়া কলা কৃষ্টিক জীয়াই ৰাখিব পাৰে? তেনেকুৱা গীত আপুনি লিখে নে নাই?

উ:—অসমীয়া কলা কৃষ্টিক জীয়াই ৰাখিব পৰা গীত হব লাগিব একেসময়তে অসমীয়াত্ব আৰু বিশ্বজনীনতা ৰক্ষা হোৱা গীত। তেনে গীত লিখাৰ ক্ষমতা যদি মোৰ হলহেতেন!

প্ৰঃ—জ্যোতিপ্ৰসাদৰ পৰা গীতিকাৰ হিচাবে আপুনি কিবা লাভবান হৈছে নে নাই?

উঃ—জ্যোতিপ্ৰসাদৰ গীতে মোক চিৰমুগ্ধ কৰি ৰাখিছে। অপাৰ্থিব লাভ নিশ্চয় মোৰ হৈছে।

—×—

## বম্বে কথাছবি জগতৰ সম্পাদক বিজয় চৌধুৰীৰ লগত কিছু মনৰ কথা :



প্ৰঃ—কেনেকৈ আপুনি হিন্দি বোলছবিত সম্পাদনা কৰিবলৈ সুবিধা পালে ?

উঃ—মই ১৯৬৫ চনত ফিল্ম্ ইন্সটিটিউটত ভৰ্ত্তি হওঁ। তাত সেই চনতে পাছ কৰি ওলোৱা আমাৰ জনপ্ৰিয় বন্ধু মুকুত ভূঞাঁৰ পৰা প্ৰথমে Film Techuque অ'ৰ যথেষ্ঠ আভাষ পোৱাত আৰু ইন্সটিটিউটৰ শিক্ষকসকলৰ গভীৰ ভাল পোৱা আৰু সুপৰিকল্পিত শিক্ষাদানে পাঠ্যক্ৰম সহজ হৃদয়ঙ্গম কৰাত সহায় কৰিলে।

দুটা বছৰ অশেষ পৰিশ্ৰমৰ অন্তত ১৯৬৭ চনত প্ৰথম বিভাগত (Film Editing অত) উত্তীৰ্ণ হৈ বম্বেৰ সুখ্যাত কথাছবি সম্পাদক শ্ৰীধৰমবীৰৰ লগত সহকাৰী হিচাবে কাম আৰম্ভ কৰো।

তাৰ পিচত শক্তি ফ্লিমচৰ প্ৰধান সম্পাদক শ্ৰীগোবিন্দ ডালৱাদিৰ লগত EVENING IN PARIS ছবি খনত কাম কৰিবলৈ সুবিধা পাওঁ।

প্ৰথম "আৰাধনা" ছবিখনতহে ভালদৰে কাম কৰিবলৈ সুবিধা পাওঁ।

শাক্ত ফ্লিমচ্ৰ বাহিৰেও গোবিন্দ ডালৱাদিৰ লগত আন কিছুমান ছবিত সহকাৰী হিচাবে কাম কৰিছো। স্বাধীনভাৱে সম্পাদনা কৰা মোৰ

প্ৰথম ছবি "অনুৰাগ"খনে বাইজৰ সমাদৰ পাইছে।

প্ৰঃ— হিন্দি কথাছবি এখনৰ সম্পাদনাৰ আৰু অসমীয়া কথাছবি এখনৰ সম্পাদনাৰ কিবা পাৰ্থক্য আছেনে ?

উঃ—ভাষা হিচাবে সম্পাদকৰ পাৰ্থক্য একো নেথাকে। পাৰ্থক্য এইখিনিতে যে অসমীয়া ছবি অকা পৰিচালকসকলৰ নাটকীয় জ্ঞান আছে কিন্তু সম্পাদনাৰ আৰ্ট বা FILM ART টো ভালদৰে আয়ত্ব কৰিব পৰা নাই।

সেয়ে কিছুমান অসমীয়া কথাছবি চমু কথাত ফটোতোলা নাটক নাটক যেনহে লাগে।

হিন্দী ছবিত যথেষ্ট ধন খৰচ কৰে আৰু একে দৃশ্যবোৰকে বিভিন্ন দিশৰ পৰা আৰু বিভিন্ন দৃশ্যক বিভিন্ন প্ৰকাৰে লোৱা হয়। গতিকে কাহিনীটোক ভালদৰে গঢ় দিবলৈ যথেষ্ট সমল পোৱা যায়।

কাহিনীৰ গতি ( TEMPO ) বৃদ্ধি হয় আৰু আমনি নলগাকৈ ছবি খন উপভোগ কৰিব পাৰি।

প্ৰঃ—বৰ্ত্তমান আপুনি হিন্দি কথাছবিৰ মাজত থাকি অসমীয়া কথাছবিক কিবা উপকাৰ কৰাৰ কথা ভাৱেনে নেভাবে ?

উঃ—অসমীয়া ছবিৰ কথা নিশ্চয় ভাবো। আমি সদ্যহতে সু-সাহিত্যিক শ্ৰীনীৰোদ চৌধুৰীৰ "কচঘৰ" নামৰ গল্পটোৰ চিত্ৰ নাট্য লেখি আছো।

প্ৰঃ—অসমীয়া কথাছবি জয়মতীৰ সম্পাদনাৰ তুলনাত আজিৰ অসমীয়া কথাছবিৰ সম্পাদনা আগবাঢ়িবনে নাই ?

উঃ—দ্বিতীয় প্ৰশ্নোত্তৰৰ প্ৰথম পেৰাগ্ৰাফত কৈছোয়েই। জয়মতী চোৱাৰ সৌভাগ্য হোৱা নাই। "সোণতৰা"খন বাইজে চায় ভাল পাইছে। আমনি লগা নাই। গতিকে যথেষ্ট আগবাঢ়িছে বুলিব পাৰি।

প্ৰঃ—এখন ভাল ছবি গঢ়ি উঠাত সম্পাদক এজনৰ দায়িত্ব কিমানখিনি ?

উঃ—এই প্ৰশ্নৰ উত্তৰ দিয়াৰ আগতে কথাছবি সম্পাদনা মানে কি সেই বিষয়ে থূলমূলকৈ জনোৱাটো ভাল।

সম্পাদনাৰ নিয়ম বিলাক মানুহৰ দৈনন্দিন অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰিয়েই গঢ়ি উঠিছে।

ধৰক আপুনি এজন মানুহৰ লগত কথা পাতি আছে। হঠাৎ আপোনাৰ পিচফালে থকা ৰাষ্টাৰ ওপৰত বিৰাট শব্দ এটা হৈ গাড়ীখনৰ চকা ফুটি গ'ল। আপোনাৰ দৃষ্টি তৎক্ষণাত মানুহজনৰ পৰা গাড়ীখনলৈ নিয়াত এই শব্দটোৱে সহায় কৰিলে। এতিয়া মানুহজন আৰু গাড়ীখনৰ মাজৰ বিষয় বস্তুবোৰ স্বাভাৱিকতে আপুনি মনেৰে বাদ দি নিৰ্দ্দিষ্টকৈ কেৱল গাড়ীখনলৈহে দৃষ্টি নিক্ষেপ কৰিলে।

অৰ্থাৎ মাজৰ এই অংশবোৰ মনেৰে EDIT কৰি পেলালে। সেই

বাবে কথাছবিৰ দৃশ্যবোৰ কেমেৰাৰে গ্ৰহণ কৰোতে সেই যুক্তিৰেই লব লাগিব।

বিভিন্ন উদাহৰণ দি কথাছবিৰ ব্যাখ্যা কৰিবলৈ ঠাইৰ অভাব হোৱাত চমুৱাই লিখিলো।

কথাছবিৰ ভাষা ( মাধ্যম ) দুটা। VISUALS ( ছবি ) আৰু SOUND ( শব্দ )।

এতিয়া ইয়াক ৰূপ দিবলৈ দুটা শক্তিশালী যন্ত্ৰৰ আৱশ্যক এটা ছবি তোলা MOVIE CAMERA আৰু আনটো শব্দ গ্ৰহণ কৰা PROFESSIONAL TAPE RECORDER.

কথাছবি সম্পাদনাক (FILM EDITING) তিনিটা ভাগত ভগাব পাৰি।

( ক ) প্ৰথমে চিত্ৰ নাট্যখন ( SCREEN PLAY ) ওপৰত উল্লেখ কৰা নিয়মানুসাৰে লিখা হয়। গতিকে লিখকজনৰ কথাছবিৰ প্ৰতি বিশেষ ৰূপ থাকিব লাগিব—ইয়াৰ উপৰিও পৰিচালনাত অভিনয়ৰ কেমেৰা মেন আৰু চিত্ৰ সম্পাদকৰ কাম বিলাকৰ সম্যক জ্ঞান ভালদৰে জনাটো অতি আৱশ্যক।

( খ ) দ্বিতীয় পৰ্য্যায়ত এই লেখাবোৰ পৰিচালকে Practically Execute কৰে। শিল্পী সকলৰ কাহিনীৰ আৱশ্যক অনুযায়ী ভাৱভঙ্গী প্ৰকাশ কৰিবলৈ নিৰ্দ্দেশ দিয়ে। আৰু তাকে Camera man জনে Photography ৰ Composition ফৰ্মুলামতে চিত্ৰ তুলি আৰু Recordist জনে শব্দ গ্ৰহণ কৰি ৰূপ দিয়াত সাহায্য কৰে।

( গ ) তৃতীয় পৰ্য্যায়ত অসংলগ্ন টুকুৰা-টুকুৰ কৈ গ্ৰহণ কৰা এই ছবি আৰু শব্দবোৰ সম্পাদকে MOVIOLA নামৰ যন্ত্ৰত চায় দৃশ্যবোৰ শিল্পীসুলভ সুক্ষ্ম দৃষ্টিৰে চিত্ৰনাট্য অনুযায়ী সংলগ্ন কৰি কিমান সময় দেখুৱাব নিৰ্ণয় কৰে।

পৰিচালকে পৰিকল্পনা কৰামতে যিবোৰ দৃশ্য লোৱা হয়—এই তৃতীয় পৰ্য্যায়ত সংলগ্ন কৰাত কিছুমান দৃশ্য আমনি লগা হলে সম্পূৰ্ণ বাদ দিয়া হয় বা আৱশ্যক হলে পুনৰ বেলেগ দৃষ্টিৰে গ্ৰহণ কৰা হয়।

চিত্ৰ সম্পাদকৰ বৰঙণী একেবাৰে নোহোৱা নহয়। এনেদৰে সাল সলনি কৰি তেওঁৰ প্ৰতিভাৰ পৰিচয় দিয়ে। এই তৃতীয় পৰ্য্যায়তে গোটেই ছবিখনে সম্পূৰ্ণৰূপে গঢ় লয় আৰু চোৱাৰ উপযোগী কৰা হয়। কামটোত বৰ পৰিশ্ৰম হয় যদিও কৰি আনন্দ লাগে।

গতিকে সম্পাদনা মানে কেৱল এই ৩য় পৰ্য্যায়কে নুবুযায়! দায়িত্ব সকলোৰে কম বেছি পৰিমানে সমান। সক্ৰিয় ভাৱে জড়িত সকলোৰে আৰম্ভনিৰে পৰা সুপৰিকল্পিত ও সঙ্ঘবদ্ধ সহযোগৰ ভিত্তিত কৰিলেহে এখন ভাল কথাছবি সম্পাদনা কৰা হয়।

সেযে দলটোৰ আটাইকেইজনে আটাইবোৰ বিষয়কে ভালদৰে জনা উচিত।

চিত্ৰ সম্পাদনাৰ দায়িত্ব বহন কৰি যিসকল গুণি শিল্পীয়ে পৰিচালক ৰূপে খ্যাতি অৰ্জ্জন কৰিছে সেই সকলৰ ভিতৰত—ভি শান্তাৰাম, হৃষিকেষ মুখাৰ্জী, অমিত বোস, বিজয় আনন্দ, ৰাজকাপুৰ, আই, এম, কুন্নু,
আৰু বিদেশৰ ডেভিদ লীন, ৰবাৰ্ট ৱাইজ, জনষ্টাৰজেজ ইত্যাদি।

—×—